চান্দমামা

জুলাই ১৯৮৯



वैभवपूर्ण टी. वी. धारावाहिक कथा
रामानंद सागर कृत
रामायण
अब चित्र-कथा के रूप में
भारत का महान् महा-काव्य जिसमें सारा ज्ञान, शक्ती और वैभव भरा पड़ा है।
दूर-दर्शन की उस विशाल चित्र-कथा की प्रतीक्षा कीजिए।
हिन्दी और अंग्रेज़ी में। अपनी प्रति सुरक्षित कीजिए।
एक प्रति का मूल्य ५ रुपये।
प्रकाशन-पूर्व विशेष मूल्य: १२ संख्याओं के लिए ५० रुपये।
अपनी चन्दे की रकम मनी-ऑर्डर/पोस्टल ऑर्डर/या बैंक-ड्राफ्ट से निम्नलिखित पते पर भेज दीजिए:
डॉल्टन एजन्सीज, वडपलनी मद्रास-६०० ०२६
चंदामामा-विजया कंबाइन का प्रकाशन

Now from Lion Pencils, here's another Novelty...
the Pearl finished **LION PINKY** pencil, a pretty pencil to behold.
Superb in looks, super smooth in writing with its HB Lead
strongly bonded to give you unbreakable points.

Also available with rubber tip and hexagonal

Other popular brands of Lion Pencils are:

Lion **MOTO**, Lion **TURBO**, Lion **SWEETY**, Lion **CONCORD**,
Lion Hi-Tech **METALLIC**, Lion **MASH-HOOR**, Lion **EXECUTIVE**,
Lion **NOVELTY**, Lion **GEEMATIC** Drawing Pencils
and **RATTAN** Colour Pencils & Wax Crayons.

LION PENCILS PVT. LTD. 95 Parijat, Marine Drive, Bombay 400 002.

National-407

চান্দমামা

জুলাই ১৯৮৯

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
বুধ বুধীয়া	:	১০
নিসিজা-পিয়াজ	:	১১
ঢেঁকী স্বৰ্গলৈ গ'লে	:	১৬
পিতা-পুত্ৰ	:	১৯
ভূততকৈ অধইচ	:	২৭
অচল মুদ্ৰা	:	৩৩
নেহৰু-উপাখ্যান-৪	:	৩৫
জীয়ন-মন্ত্ৰ	:	৩৯
কৃষ্ণাৱতাৰ	:	৪৩
ৰাপাছ	:	৫১
মাটিৰ তলৰ মাছ	:	৫৫
কঁটীয়া কেঁকুৰাল	:	৫৮
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে : ৩.০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬.০০ টকা মাথোন

Everyday while a new India emerges, the existence and memory of the old one slowly fades.

The once-familiar sounds and sights, the beauty of Indian traditions and values, the ethnic and historical identity of its people, the once prolific art and handicrafts of rural India; a heritage is vanishing. Discover a part of that real India through the pages of The Heritage.

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

Annual Subscription : Rs. 96.00

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras - 600 026.

ফান ষ্টিকাৰ চেট
TRAVEL INDIA
ডিজনী টু-ডে কমিক
চাইনীজ পাজ্‌ল
CHINESE PUZZLE
ট্ৰেভেল ইন্ডিয়া গেম
Fun is
ফান ইৰ্জ পোষ্টাৰ চেট
MAGGI
ক্লাবে
1989 ৰ বাবে ৰং-তামাছা আৰু উল্লাস
মেগী ক্লাবে সকলো মেগী প্ৰেমীৰ বাবে
আগবঢ়াইছে এই বছৰৰ নতুন উপহাৰবোৰ!
তোমাৰ উপহাৰবোৰ বিনামূল্যে লোৱাঁ!
তোমাৰ পচন্দৰ বিনামূলীয়া উপহাৰটো পাবৰ বাবে মেগী
নুডল্সৰ 5 টা খালি পেকেটৰ সমুখৰ ফালে থকা এই
মেগী চিহ্নটো কাটি উলিয়াই আমালৈ পঠাই দিয়া। তুমি, 6 ৰ পৰা 8 সপ্তাহৰ
ভিতৰতে মেগী ক্লাবৰ পৰা পঠোৱা ৰং-তামাছাৰে ভৰা উল্লাসদায়ক উপহাৰটো পাবা।
মনত ৰাখিবা ঃ
তুমি যদি মেগী ক্লাবৰ সদস্য তেন্তে
আমালৈ চিঠি লিখোঁতে প্ৰতি বাৰেই
তোমাৰ নাম -ঠিকনা আৰু সদস্যতা
নম্বৰটো উল্লেখ কৰিবলৈ আৰু
তোমাক কোনটো উপহাৰ লাগে জনাবলৈ
নাপাহৰিবা।
তুমি যদি এতিয়াও মেগী ক্লাবৰ সদস্য
হোৱা নাই তেন্তে আমালৈ লিখোঁতে
তোমাৰ নাম - ঠিকনাটো জৰুৰ পঠাবা
আৰু কোনটো উপহাৰ
লাগে তাকো জনাবা।
I'M A MAGGI CLUBBER
MAGGI CLUB
HTA 6320 ASS
আমাৰ ঠিকনা: দি মেগী ক্লাব, পোষ্ট বক্স নং 5788, নতুন দিল্লী-110055

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

‘চান্দমামা’ৰ ক্রোড়পত্র পঢ়ি যিসকল পাঠক-পাঠিকাই আমালৈ অভিনন্দন জনাইছে, তেওঁলোকলৈ আমি আমাৰ আন্তৰিক কৃতজ্ঞতা প্রকাশ কৰিছোঁ। এই প্রসংগত কওঁ: আপুনি যদি আপোনাৰ প্রবস্থুৰা কোনো আত্মীয়-বন্ধুলৈ চান্দমামা উপহাৰ হিচাপে পঠাব খোজে, আপোনাৰ হৈ আমিয়েই সেই কামটি কৰি দিব পাৰোঁ। এই বাবে আমাৰ মাদ্রাজৰ ঠিকনালৈ কেৱল ইংৰাজিত যোগাযোগ কৰক। ধন্যবাদ।

অমৰবাণী

দূৰেপি পৰস্থাগসি পটুৰ্জনো নাত্মনঃ সমীপেপি।
স্বয়ং ব্রণমক্ষি ন পশ্যন্তি শশিনি কলঙ্কং নিৰূপয়তি॥

[নিজৰ দুৰ্বলতা তথা ত্রুটিসমূহৰ প্রকাশ নকৰাটো কিছুমান মানুহৰ এৰাব নোৱৰা স্বভাৱ। কিছুমান মানুহে নিজৰ অন্তৰৰ শ্যামবৰ্ণও দেখা নাপায়; কিন্তু চন্দ্ৰৰ কলংকক দেখা পায়।]

বছৰ: ১২ জুলাই ১৯৮৯ সংখ্যা: ৪

খনে: ৩·০০ টকা : : বছৰেকীয়া বৰঙণি: ৩৬·০০ টকা

CHANDAMAMA PUBLICATIONS

188, N. S. K. SALAI, VADAPALANI, MADRAS - 600 026, INDIA.
Phone: 423423, 421778 Grams: "CHANDAMAMA" Telex: 041-347

প্ৰিয় বন্ধু আৰু শুভাকাংক্ষীসকল,

যোৱা কেইবামাহৰোপৰা মোক বেয়াকৈ আমনি দিয়া কিছুমান সমস্যাৰ
বিষয়ে আপোনালোকৰ সৈতে মুকলিকৈ কথা পাতিম। **চান্দমামাক**
আপনোলোকে সদায় বিশ্বস্তভাৱে মৰম কৰি আহিছে, আৰু প্ৰকাশক হিচাপে ময়ো
চান্দমামাৰ প্ৰতি আপোনালোকৰ এই সহৃদয়তালৈ সততে সন্মান জ্ঞাপন কৰিছোঁ।
চান্দমামাৰ পাঠক-পাঠিকাসকলে, বিশেষকৈ চেমনীয়াইতে যাতে সহজ-সৰল
ভাষাত প্ৰকাশিত চান্দমামাৰ গল্প-কাহিনী পাঠ কৰি সাংস্কৃতিক ৰুচিসম্পন্ন হৈ উঠে,
তথা কিঞ্চিত জ্ঞান আৰ্জিব পৰা হয়, তাৰ বাবে আমি সততে সচেষ্ট। এই পঠনীয়
বিষয়বস্তুসমূহৰ ক্ষেত্ৰত আমি কদাপি কাৰ্পণ্য কৰা নাই, বা নকৰোঁ ; কিন্তু চান্দমামা
ছপাৰ কাগজখিনি আৰু আগৰদৰে হৈ থকা নাই, বেদনাদায়ক হ'লেও এই
কথা সত্য। আমাৰ জাতীয় জীৱনত সততা আৰু স্বদেশপ্ৰেমৰ মূল্য কিমানলৈ
উন্নীত হৈছে ক'ব নোৱাৰোঁ ; কিন্তু সম্প্ৰতি কাগজৰ মূল্য গগনচুম্বী হৈ উঠিছে।
আগৰ চকচকীয়া কাগজৰ তুলনাত কিছু কম দামত আৰু সহজপ্ৰাপ্য কাগজত
চান্দমামা ছপাই মই আপোনালোকক আমনি দিছোঁনে? কিন্তু কাগজৰ এই
পৰিৱৰ্তন নকৰাহেঁতেন চান্দমামাৰ বেচ আৰু উৰ্ধগামী হ'লহেঁতেন। আমাৰ
বাহিৰে, অন্যান্য প্ৰকাশনা সংস্থাৰ ক্ষেত্ৰত কিতাপ-পত্ৰৰ দামৰ উৰ্ধগতিলৈ
আপোনালোকে নিশ্চয় মন কৰিছে। আগৰ দৰে চকচকীয়া কাগজত ছপাৰলৈ
হ'লে চান্দমামাৰ দামো তেনেকৈ দুগুণ বঢ়াব লাগিব। কিন্তু মই মনে-চিতে
বিশ্বাস কৰোঁ, ছপাৰ কাগজতকৈ পঠনীয় বিষয়বস্তুসমূহে অধিকৰো অধিক
গুৰুত্বপূৰ্ণ, যি বিষয়বস্তুৰ তথা ৰুচিৰ উৰ্ধগামিতা তথা উন্নতিলৈ আমি সততে
সচেষ্ট। আশা কৰোঁ, মোৰ এই চিন্তাধাৰাৰ সৈতে আপুনিও একমত।

আপোনাৰ বিশ্বস্ত

B. Viswanatha Reddi

প্ৰকাশক

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

বুকুত ৰওক শান্তি-নিজৰা !

বুকুৰ [হাৰ্টৰ] বেমাৰৰ হাত সাৰিবলৈ বুকুত সদায় শান্তিৰ নিজৰা বোৱাওক। এই বিষয়ে ডিউক ইউনিভাৰ্ছিটিৰ গৱেষণা মতে ঃ হিংসাকুৰীয়া, চকুচৰহা, খঙাল, সন্দিগ্ধ আদি লোকৰহে হাৰ্টৰ বেমাৰ অধিক হয় আৰু অকালমৃত্যু ঘটে !

পিতৃৰ জন্মদিনত পুত্ৰসৱ !

পৃথিৱীৰ সকলো টাওৱাৰৰ [সুউচ্চ স্তম্ভ] পিতৃ হিচাপে বিবেচিত পাৰীৰ [পেৰিছ] এফিল টাওৱাৰৰ জন্মদিন ৩১ ডিচেমবাৰত পালন কৰা হ'ব আৰু তাৰ কাৰণে পিতৃৰ পুত্ৰসৱে—অৰ্থাৎ নিউয়ৰ্কৰ এম্পায়াৰ ষ্টেট বিল্ডিং, টোকিঅ' টাওৱাৰ, কেনাডাৰ টৰণ্টো আৰু কালগাৰি টাওৱাৰ, লণ্ডনৰ বৃটিছ টেলেকম টাওৱাৰ, পশ্চিম জাৰ্মানিৰ ম্যুনিখৰ অলিম্পিক টাওৱাৰ আদিকো সজোৱা হ'ব। ১৮৮৯ চনত অনুষ্ঠিত এক আন্তৰ্জাতিক অনুষ্ঠান উপলক্ষ্যে গুস্তাভ এফিলে এই ৩২০ মিটাৰ উচ্চ টাওৱাৰটো নিৰ্মাণ কৰিছিল। এফিল টাওৱাৰৰ চৰকাৰী জন্মদিন হ'ল ৩১ মাৰ্চ।



পুতলা নহয়-সঁচাসঁচি !

এই উৰাজাহাজখনৰ সৰ্বমুঠ ওজন হ'ল ৪৭ কে. জি.। এই ক্ষুদ্ৰতম উৰাজাহাজ [পুতলা নহয়] খনে সৰ্বাধিক ঘণ্টাত ১৩০ কিল'মিটাৰ গতিৰে উৰিব পাৰে। ভিক্টৰ ডিমিট্ৰিয়েভ নামৰ ৰুছ মানুহ এজনে এই ক্ষুদ্ৰতম উৰাজাহাজ নিৰ্মাণ কৰিছে। এঘণ্টা উৰণৰ বাবে তেল লাগে ৩ লিটাৰ।

সদগতিৰ বিপত্তি !

ভাবনগৰ জিলাৰ মালান'কা গাঁৱৰ এগৰাকী ১০০ বছৰীয়া বৃদ্ধা চিতাৰপৰা ওলাই আহি সকলোকে হতভম্ব কৰি পেলাইছে।

এই বৃদ্ধা যেতিয়া অচেতন অৱস্থাত আছিল, তেতিয়া তেওঁ মৰা বুলি ভাবি খৰি দিবলৈ লৈ যোৱা হৈছিল। জুই লগাই সদগতি কৰোঁতেহে এই বিপত্তি !

বৃষ-বুধীয়া

উত্তৰাধিকাৰী হিচাপেই বৃষভেন্দ্ৰক গাঁওবুঢ়া পতা হ'ল। শিক্ষা-দীক্ষা বোলোঁতে তাৰ একোৱেই নাছিল, সি আছিল এটি যথামুৰ্খ, তথাপি।

এবাৰ এজন খেতিয়কে তাক ক'লেহি, "মোৰ খেতি-পথাৰত সদা-সৰ্বক্ষণ বিভিন্ন পশু চৰি ফুৰাত মোৰ খেতি-খোলা একেবাৰে নষ্ট হৈছে। কিবা এটা ব্যৱস্থা কৰক।"

"ওঁ ওঁ, কৰিম—" বৃষভেন্দ্ৰই ক'লে।

"আপুনি নিশ্চয় কাৰোবাক মোৰ খেতি-পথাৰলৈ পঠাব। কিন্তু তেওঁ যদি মোৰ খেতি-খোলা নষ্ট কৰে—তেতিয়া কি হ'ব?" খেতিয়কে ক'লে।

"তেতিয়া মই বিকল্প ব্যৱস্থা এটা ল'ম।"

বৃষভেন্দ্ৰ গাঁওবুঢ়াৰ এই কথা শুনি খেতিয়ক মানুহজনে উভতি খোজ ল'লে; কিন্তু বৰ ভাল নাপালে কথাখিনি শুনি।

আন এবাৰ গাঁৱৰ এজন মানুহে বৃষভেন্দ্ৰ গাঁওবুঢ়াক ক'লে, "গাঁৱৰ মন্দিৰটো দুহাতমান আঁতৰাই দিবলৈ আপুনি ব্যৱস্থা কৰিব বুলি গাঁৱৰ ৰাইজে আশা কৰিছে।"

"হ'ব।" এইবুলি কৈয়েই বৃষভেন্দ্ৰই মন্দিৰটোক দুহাতমান আঁতৰাই দিবলৈ এশজন বনুৱাক কামত লগাই দিলে।

বহু সময়ৰ পাছত সেই এশ বনুৱাই গাঁওবুঢ়া বৃষভেন্দ্ৰক ক'লে, "কামখিনি ঠিকমতে কৰা হ'লনে নাই চাই লওক।"

বৃষভেন্দ্ৰ গাঁওবুঢ়াই দেখিলে যে সি তাৰ মূৰৰ পাগুৰিটো য'ত থৈ দিছিল, তাত নাই। তেতিয়া বৃষভেন্দ্ৰই গাঁৱৰ ৰাইজক ক'লে, ৰাইজসকল! আপোনালোক আহক, আহি চাওকহি। "মই য'ত পাগুৰিটো থৈ দিছিলোঁ, তাৰপৰা এই মন্দিৰটো এশ বনুৱাই দুহাতৰ সলনি চাৰিহাত আঁতৰাই দিয়াত মোৰ পাগুৰিটো মন্দিৰৰ তলতে পোত খাই পৰিল।"



নিসিজা পিঁয়াজ

কেশৰপুৰ গাঁৱত ৰং নামৰ এজন মানুহ আছিল। ৰং-অৰ ভায়েকৰ নাম আছিল পং। সিহঁত তুয়ো একেটা ঘৰতে কিন্তু বেলেগে আছিল। কোঠাও বেলেগ, চৰুও বেলেগ। আৰু সিহঁতৰ তুজনৰ স্বভাৱ-চৰিত্ৰও বেলেগ। ৰং আছিল ৰভীয়াল আৰু পং আছিল পাহুৰাল। আৰু সি—মানে পং আছিল বৰ পেট-কপটীয়া।

এদিন এজন বৰাগী সিহঁতৰ ঘৰলৈ আহিল আৰু আহি এমুঠি তাত খাবলৈ খোজাত পঙৰ উঠিল খং; কিন্তু ৰঙে ৰং মনেৰেই ব'ৰাগীক খাবলৈ দিলে। খোৱাৰ অন্তত সেই ব'ৰাগীয়ে ৰঙক ক'লে, "তোমাৰ যদি কিবা ইচ্ছা আছে কোৱা, তোমাৰ ইচ্ছা পুৰণ কৰিম।"

"মোৰ ভাই পং ধন-সম্পত্তিৰ ফালৰ-পৰা বেছ ভালেই আছে। ময়ো তাৰ দৰে হ'ব পৰা হ'লে ভাল পালোহেঁতেন" ৰঙে ৰোষ বুজি ক'লে।

ব'ৰাগায় ৰঙক সুধিলে, "তোমাৰ ঘৰত পাচলি-তাচলি কি আছেনো?"

বঙে তাৰ গোটেই ঘৰটোত মাত্ৰ চাৰিটা পিঁয়াজ বিচাৰি পালে।

তেতিয়া ব'ৰাগীয়ে ক'লে, "এই পিঁয়াজ চাৰিটা সিজোৱা। যিকেইটা সিজিব—সেইকেইটা পিঁয়াজ তুমি খাই পেলাবা। যদি এটা পিঁয়াজো নিসিজাকৈ থাকে, মোৰ ওচৰলৈ লৈ আহিবা।"

ব'ৰাগীৰ কথা মতে ৰঙে চাৰিটা পিঁয়াজ সিজালে। পিঁয়াজ চাৰিটাৰ মাজত তিনিটা সিজিল, কিন্তু এটা নিসিজিল। তিনিটা খাই, নিসিজাটো

'বসুন্ধৰা'



ব'ৰাগীৰ হাতত দিয়াত ব'ৰাগীয়ে ৰঙক ক'লে, "তুমি অতি ভাগ্যৱান। শুনা, কালিলৈ তুমি এই নিসিজা পিঁয়াজৰপৰা যি খুজিবা তাকে পাবা।"

ৰাতি ভালকৈ খোৱা-লোৱাৰ অন্তত হুয়ো শুলে। শুই—টোপনিত লাল-কাল দিয়াৰ পাছত হাতত সাৰে ভৰিত সাৰে পং সেই কোঠালৈ সোমাই আহিল। ৰঙে-ব'ৰাগীয়ে হোৱা কথাখিনি পঙে কাণসৰালি মাৰি শুনিছিল। ব'ৰাগী আৰু ৰঙক টোপনি যোৱা দেখি সি নিসিজা পিঁয়াজটো গিলি পেলালে।

ৰাতিপুৱা সেই নিসিজা পিঁয়াজটো বিচাৰি নোপোৱাত ব'ৰাগীয়ে ৰঙক ক'লে, "এই কথাত তুমি নদমিবা। পিঁয়াজটো বৰ ডাঙৰ কথা নহয়, মোৰ মন্ত্ৰশক্তিয়েই হ'ল ডাঙৰ কথা। এই পিঁয়াজটো হয়তো কোনোবাই চুৰ কৰিলে, বা খাই পেলালে। কিন্তু পিঁয়াজটো য'ত যি অৱস্থাতে নাথাকক, আনকি কাৰোবাৰ পেটৰ ভিতৰত থকা হ'লেও—সেইটো খাই হজম কৰিব নোৱাৰে। মই মন্ত্ৰ মাতি সকলো ঠিক কৰি দিম। তুমি কেৱল ক'বা, 'হেৰা নিসিজা পিঁয়াজ, মোক অমুক লাগে'। বছ। চাবা কি হয়। এই পিঁয়াজে কি কৰে চাবা। পিঁয়াজটো যদি কাৰোবাৰ পেটৰ ভিতৰত আছে—সেই মানুহজনে কি কৰে চাই থাকিবা। এটা কথা কৈ যাওঁ, তোমাৰ আশাৰ সীমা ৰাখিবা। অৰ্থাৎ—দুৰাশা-মূলক কিবা নিসিজা পিঁয়াজৰপৰা নুখুজিবা। মই ছমাহৰ অন্তত পুনৰ আহিম।"

ৰঙে বৰাগীক দীঘল দি সেৱা কৰিলে, বৰাগীও বাটকুৰি বাই গুচি গ'ল।

তাৰ পাছত ৰঙে জোৰে জোৰে ক'লে, "নিসিজা পিঁয়াজ! নিসিজা পিঁয়াজ! মোক ভাল চাই খাট এখন লাগে।" আৰু—

চাওঁতে চাওঁতে পঙে পং পঙাই ৰঙৰ

ওচৰলৈ আহি এখন খাট দি থৈ গ'ল।

তেতিয়াহে ৰঙে গমিলে কথাটো। পঙেই যে পিঁয়াজটো চুৰ কৰি খালে, সেই কথাত ৰং নিঃসন্দেহ হ'ল।

পঙৰ কথা ৰঙে নজনা নহয়, জানে। মাক-দেউতাক স্বৰ্গী হোৱাৰ অন্তত পঙে যে তাৰ পেটত সাত পাচি খাব কড়িয়াই ফুৰা হৈছে, জানে ৰঙে। এতিয়া তাৰ সন্দেহ সঁচা হ'ল।

"নিসিজা পিঁয়াজ! নিসিজা পিঁয়াজ! মোক এশমান সোণৰ মোহৰ লাগে।"

লগে লগে পং পুনৰ পংপঙাই আহিল, আৰু আহি ৰঙৰ হাতত এশটা সোণৰ মোহৰ দিলে।

আৰু এনেকৈয়েই ৰঙৰ দিনবোৰ-ৰাতিবোৰ ৰঙতে পাৰ হৈ আছিল আৰু নিসিজা পিঁয়াজ চুৰ কৰি খোৱাৰ ফলত পঙে বাধ্যত পৰি ৰঙৰ গেবাৰি খাটিছিল।

কিন্তু গাঁৱৰ ৰাইজে তো ইমানবোৰ ভিতৰুৱা কথা নাজানে, পঙে তাৰ ককায়েক ৰঙৰ সকলো কাম কৰি দিয়াটোহে দেখে। গতিকে — গাঁৱৰ ৰাইজ পঙৰ প্ৰশংসাত পঞ্চমুখ হৈ উঠিল।

চাওঁতে চাওঁতে ছমাহ পাৰ হ'ল। বৰাগাঁৱৈয়ে তেওঁৰ কথামতে ছমাহৰ অন্তত ৰঙৰ কাষ চাপিল। তাৰ পাছত—ৰঙৰ-পৰা সকলো কথা শুনাৰ অন্তত বৰাগায়ে পঙক মতাই অনালে।



পঙে বৰাগীক প্ৰণাম কৰি ক'লে, "প্ৰভু, মই এতিয়া দুগুণ শ্ৰম কৰিবলগীয়া হৈছোঁ। মোক মোৰ অপৰাধৰ বাবে ক্ষমা কৰক। মই যে কেনেকৈ এনে বিপদৰপৰা মুক্তি পাম—দয়া কৰি মোক তাৰ উপায় দিয়ক।"

বৰাগীয়ে হাঁহি মাৰি ক'লে' "বোপা, অপৰাধীহঁতক জোখে-জোখাৰে শাস্তি বিহিবলৈহে মই এই নিসিজা পিঁয়াজৰ ব্যৱস্থা কৰিছোঁ। তুমি তোমাৰ ককাই-দেউৰাক এই কথা ক'বলৈ কোৰাগৈ, 'নিসিজা পিঁয়াজ! তুমি যিখিনি উপকাৰ কৰিলা, মই কৃতজ্ঞ'। তেতিয়া কি হয় চাবা। তোমাৰ কথা মতে নিসিজা পিঁয়াজক এই কথা লগে লগে নিসিজা পিঁয়াজটো তোমাৰ পেটত গলি যাব, আৰু তেতিয়াৰ-পৰা পুনৰ সুখে-শান্তিৰে থাকিব পৰা হ'বা।"

পং তেতিয়া ৰঙৰ কাষ চাপিল, আৰু কথাখিনি ৰঙক ক'লে। কিন্তু ৰং মান্তি মহ'ল। ৰঙে পঙক ক'লে, "নহ'ব। মোক আৰু বহুত কিবাকিবি লাগে এই নিসিজা পিঁয়াজৰপৰা।"

"ককাইদেউ, অধিক মাছত যে বগলী কণা হয়—জানাই। গতিকে—আশাৰো সীমা চেৰাই নোযোৱাই ভাল হ'ব।" পঙে ৰঙক ক'লে।

ৰঙে ৰঙা খোঁৱাত উঠি অহাৰ দৰে ক'লে, "মোক কি লাগে নালাগে মইহে জানিম। এইবোৰ কথাও তই নাক সুমুমাবিচোন। মোক এতিয়াই এহেজাৰ সোণৰ মোহৰ লাগে।"

হঠাৎ সেই নিসিজা পিঁয়াজটো পঙৰ পেটৰপৰা মুখেদি ওলাই আহি ৰঙৰ মুখত সোমাল আৰু ৰঙে বাধ্যত পৰি নিসিজা পিঁয়াজটো গিলি পেলালে।

"দেখিলানে? কথাটো মই আগতে একদম বুজি পোৱা নাছিলোঁ, এতিয়াহে বুজি পালোঁ।"

পঙৰ কথা শুনি ৰঙে ৰঙা-ক'লা-তিনি-

বৰণীয়া হৈ কঁপি-জঁপি ককাই ক'লে, "ম্—মই ম্—ম্—মোক লগাতকৈ ঢেৰ বে বে বে বেছি নিসিজা পিঁয়াজৰপৰা খুঁজছি লোঁ। মোৰ বুধি ঘোলা হৈ প—প—প্ৰৰিছিল।"

তেতিয়া পঙে ক'লে, "ককাইদেউ, মই কিন্তু আগৰ সেই পং কথা কৈ পং পঙাই ফুৰা পংটো হৈ থকা নাই। মোৰ ঢেৰ পৰিৱৰ্তন হ'ল। মই এতিয়া শ্ৰম কৰি, সুখ পাওঁ, শ্ৰম কৰাত সন্মান বোধ কৰোঁ। আগৰ দৰে আমি পৰস্পৰক ঈৰ্ষা নকৰি নিজ নিজ শ্ৰম কৰি থাকিলেই সুখ-শান্তিৰ সঁচাৰকাঠীটো আমাৰ হাতলৈ আহিব, জীৱন সুখেৰে কাটিব।"

পঙৰ মুখে পাং পতা কথাৰ সলনি এনে পোন কথা শুনি অবাক হৈ পৰা ৰঙে ক'লে, "তোৰ মাজত যে ইমান পৰিৱৰ্তন হ'ব পাৰে—সেই কথা আছিল পৰ্বতত কাছকণী পোৱাৰ দৰে অসম্ভৱ কথা। তোক মই আৰু ঈৰ্ষাও নকৰোঁ, জলা-কলাও নকৰোঁ।"

"মেয়ো। এতিয়াৰপৰা আমি দুয়ো বিশ্বস্তভাৱে নিজ নিজ কাম কৰিম, যি পাম তাৰে সুখী হৈ থাকিম, কোনেও কাৰো বিৰুদ্ধে কিলাকুটি নাচাঁচিম, কোনেও কাৰো কুঁজৰ মূৰত কিল নামাৰিম, ঘিউ-মৌলৈ বাট চাই নাথাকি যি পাওঁ তাকেই সৌভাগ্য বুলি মানিম, পৰৰ মাটিত কদাপি বাট ঘৰা বন্ধাৰ চিন্তা নকৰিম, পৰ-হাতী পৰ-ভাতী হৈ জীৱন কটোৱাৰ কথা ভুলতো নাভাবিম, বৰ চুৰিয়াৰ ফেৰ নামাৰিম, ডিমাত আঁহ নুলিয়াম—আৰু এইদৰে আমি সমাজত মানুহৰ দৰে বৰ্ত্তি থাকিম।" পঙে ক'লে।

ৰং আৰু পঙৰ এইবোৰ কথাত ৰাইজেও বৰ ৰং পালে। বহু দিনৰ পাছত ৰঙে এদিন পঙক ক'লে, "বোলোঁ ঐ পং, বন কৰিলে দেখিছোঁ বৰাগীক নালাগে।" O



ঢেঁকী স্বৰ্গলৈ গ'লে

কোনোবা এখন গাঁৱত দয়াৰাম নামৰ এজন খেতিয়ক আছিল। দয়াৰামৰ আছিল তিনিজন ল'ৰা। ল'ৰা তিনিজন মুঠমাঠ বুদ্ধিমানেই আছিল। পিছে—কিছু কিছু বিষয়ত সিহঁতৰ মাজত বুদ্ধিবৃত্তিৰ অভাৱে পৰিলক্ষিত আৰু তেতিয়া দৰাৰাম হতাশ হৈছিল।

দয়াৰামৰ আছিল তিনিজন নলেগলে লগা বন্ধু। এই বন্ধু তিনিজৰ মাজত এজন আছিল কবি, দ্বিতীয়জন ৰাজনীতিজ্ঞ, আৰু তৃতীয়জন বন্ধু আছিল ধৰ্মগুৰু।

দয়াৰামে, বহু চিন্তা কৰি এই বন্ধু তিনিওৰো সহায়ত পুত্ৰহঁতৰ মাজত পৰিৱৰ্তনৰ চেষ্টা কৰিব বুলি স্থিৰ কৰিলে।

দয়াৰামে, প্ৰথমেই তেওঁৰ কবি-বন্ধুক ক'লে, "বন্ধু, তোমাৰ হাতত মই মোৰ ডাঙৰ ল'ৰাটোক সঁপিলোঁ। তাৰ জীৱন তোমাৰ দৰে উজ্জ্বল হওক।"

আৰু এই দৰে, দয়াৰামে তাৰ দ্বিতীয় আৰু তৃতীয় পুত্ৰকো যথাক্ৰমে ৰাজনীতিজ্ঞ আৰু ধৰ্মগুৰুৰ হাতত সঁপিলে।

দয়াৰামৰ ডাঙৰজন ল'ৰা ধনৰামে কাব্য-সাহিত্যৰ কথাত একেবাৰে ভাল ভাল নোপোৱা হৈছিল। কিন্তু কিছুদিনৰ অন্তত এই বিষয়ে উৎসাহ প্ৰদৰ্শন কৰা হ'ল। ধনৰামে তাৰ এই কবি-শিক্ষকৰ তথা গুৰুৰ বেয়া আৰ্থিক অৱস্থালৈ চাই নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰি তুলিবলৈ চিন্তা কৰি থাকিল। কিন্তু তাৰ গুৰুৰ বাটে নগৈ, বেলেগ উপায়ে চিন্তা কৰি, সেই অঞ্চলৰ কবি তথা লেখক-সকলক সংগঠিত কৰি এক সাহিত্য প্ৰকাশ

সুৰেশ ৰাজখোৱা

সংস্থা স্থাপন কৰিলে।

এই সাহিত্য-সংস্থাৰ অন্তৰ্ভুক্ত কবি-লেখকসকলৰ কিছুমানে ধনৰ আৰু কিছুমানে যশৰ কাৰণে লিখিছিল। দয়াৰামৰ ডাঙৰ পুত্ৰ ধনৰামে এইবোৰ লেখা-মেলা কিনি চৰা দামত বেচিছিল। কিছু কিছু লেখা-মেলা ধনৰামে নিজৰ নামতো প্ৰকাশ কৰিছিল আৰু ৰাইজে ধনৰামক 'কবি-কিশোৰ' উপাধিৰে ভূষিত কৰিছিল।

এইবোৰ চাই-চিঁতি এদিন দয়াৰামক তেওঁৰ কবি-বন্ধুৱে ক'লে, "বন্ধু, তোমাৰ জ্যেষ্ঠপুত্ৰৰ স্বভাৱ-চৰিত্ৰৰ পৰিৱৰ্তন অন্ততঃ মই কৰিব নোৱাৰিম।"

ইপিনে—দয়াৰামৰ মাজুল'ৰা হেমৰাম তিমানতে তাৰ গুপ্ত ৰাজনীতিজ্ঞক চেৰাই বহু দূৰলৈকো আগ বাঢ়িল। কিন্তু পোনতে তাকো ৰাজনীতিজ্ঞই একেবাৰেই পোনাব পৰা নাছিল ৰাজনীতিৰ ফালে। ৰাজনীতিলৈ তাৰ মনত ৰাপ নাছিল যে নাছিলেই। কিন্তু পাছত একেবাৰে ৰজা ৰামচিঙৰ মন্ত্ৰী ঘিটিংটিংটো হৈ উঠিল। তেতিয়া তাৰ গুৰুৰেই শিচ্ হোৱাৰ উপক্ৰম! সি থলুৱা নেতা-আধানেতাহঁতৰ লগত হৰিল-গৰিল বঢ়ালে আৰু তাক সকলোৱে ভয় কৰা হ'ল। সি ৰাজনীতিৰ নামত বিভিন্ন সম্প্ৰদায়ৰ মাজত বিভেদৰ সৃষ্টি কৰিলে আৰু নানান ধৰণে বলপ্ৰয়োগ কৰি গাৰ জোৰেৰে নিজকে নেতা বোলালে।



সেই বন্ধুগৰাকী দমি গ'ল আৰু এদিন দয়াৰামক ক'লে, "বন্ধু, তুমি মোক ভুল নুবুজিবা। তোমাৰ ল'ৰাটি মোতকৈ বহু আগ বঢ়া হ'ল। লৈ যোৱা তাক।"

দয়াৰামৰ তৃতীয় তথা নুমলীয়া পুত্ৰ কণৰামে তাৰ ধৰ্মগুৰুৰ উপদেশ কাণতো নোতোলা হ'ল। কণৰামে গুৰুক গুলী মাৰি নিজেই ধৰ্ম-ডাক দিবলৈ ধৰিলে আৰু ধৰ্মগুৰুৱে সমগ্ৰ জীৱনকাল ধৰি চিন্তিও কৰিব নোৱৰা কাম এটি তৎক্ষণাৎ হাতত ল'লে। এই কামটি হ'ল—ধৰ্ম-ৰক্ষাৰ কাৰণে এটা ডাঙৰ মন্দিৰ নিৰ্মাণৰ কামৰ বাবে কণৰামে ৰাইজৰপৰা জুলুম কৰি হ'লেও চান্দা আদায় কৰিবলৈ ধৰিলে আৰু নিজেই নিজক মন্দিৰ-সমিতিৰ বৰমুৰীয়া পাতিলে।

চাওঁতে চাওঁতে মন্দিৰ-নিৰ্মাণৰ ধন-ভঁৰালও টনকিয়াল হৈ উঠিল আৰু কণৰামৰ উন্নতিৰ জখলাখনো অতি দ্ৰুত-তাৰে বঢ়ি উঠিল। মন্দিৰৰ নামত আৰু দেৱতাৰ নামত ধনৰ প্ৰবল সোঁত ব'বলৈ ধৰিলে।

তাৰ পাছত দয়াৰামক ধৰ্মগুৰুৱে ক'লে, "বন্ধু, তোমাৰ নুমলীয়াটিক মোৰ হাতত দি তুমি মোৰ বিৰাট উপকাৰ সাধিছা। সি অহাতহে মই মোৰ ক্ষমতা যে কিমান কম—তাৰ উমান পাইছোঁ। সি ধৰ্মচিন্তাৰ ফালৰপৰা মোতকৈ ঢেৰ ঢেৰ আগবঢ়া। তাকনো মই কি শিকাম? বৰঞ্চ সিহে মোক শিকাব পাৰিব। তুমি তোমাৰ ল'ৰাটিক লৈ গ'লে মই ভাল পাম।"

এইদৰে, তিনিওটি ল'ৰায়েই দয়াৰামৰ ওচৰলৈ উভতি গ'ল। দয়াৰামে কেই-দিনমান ধৰি ভবা-গুণা কৰাৰ অন্তত অলপ অলকৈ ধন দি তিনিওকো বিভিন্ন ধৰণৰ বেহা-বেপাৰৰ চকৰিত সাঙুৰি দিলে আৰু বন্ধু তিনিকো ক'লে, "ঢেকী স্বৰ্গলৈ গ'লেও ধানেই বানিব।" ○

পিতা-পুত্ৰ

১

লক্ষ্মীদেৱীয়ে এদিন তেওঁৰ স্বামী সত্যনাৰায়ণক ক'লে, "আপোনাক লাখ-বিলাখ মানুহে পূজে। আপুনি তেওঁলোকৰ প্ৰতিজনৰ মনোবাঞ্ছা পূৰণ নকৰে কিয় ?" পত্নীৰ কথা শুনি মৃদুকৈ হাঁহি মাৰি স্বামী সত্যনাৰায়ণে ক'লে, "পৰিণতিৰ কথা নিচিন্তাকৈ প্ৰত্যেকৰ মনোবাঞ্ছা পূৰালে প্ৰায় কোনেও সুখ-শান্তি নাপাব।"

●

সত্যনাৰায়ণৰ এই উত্তৰে লক্ষ্মীদেৱীক তুষ্ট কৰি নোৱাৰিলে। পত্নীৰ অসন্তোষ মুখত ফুটি উঠাত সত্যনাৰায়ণে ক'লে, "সূৰ্যপ্ৰসাদ নামৰ এজন মানুহক তাৰ প্ৰাৰ্থনা অনুসাৰে এটি পুত্ৰসন্তান দান কৰিছিলোঁ। সূৰ্যপ্ৰসাদে তাৰ পুত্ৰৰ নাম থৈছিল 'সত্যনাৰায়ণ'। কিন্তু তাৰ এই ল'ৰাটি কিছু পৰিমাণে উদণ্ড হৈ উঠিল, কিয়নো নিচেই সৰুতে সি মাতৃহীন হৈছিল। তেতিয়া পিতা-পুত্ৰৰ মাজত অশান্তিৰ সোঁত ব'বলৈ ধৰিলে।" শুনি লক্ষ্মীদেৱীয়ে ক'লে, "পিতা-পুত্ৰৰ মাজত শান্তি দিয়ক।"

'চান্দমামা'

সূৰ্য্যপ্ৰসাদৰ পুত্ৰ সত্যনাৰায়ণ এদিন বিদ্যালয়ৰপৰা পলাই আহিল।

সূৰ্য্যপ্ৰসাদে পুত্ৰ সত্যনাৰায়ণক সুধিলে, "ইমান সোনকালে পঢ়াশালিৰপৰা গুচি আহিলি কিয়?"

"মোৰ বৰ পেটৰ বিষ উঠিছিল।" সত্যনাৰায়ণে টপৰাই ক'লে।

"হয়নেকি? —আজি ঘৰত পিঠা-পায়স, আৰু তোৰ উঠিল পেটৰ বিষ! কি আৰু কৰিবি। এই কোঠাত শুই থাক তেন্তে।" এই বুলি কৈ, সূৰ্য্যপ্ৰসাদে কোঠাটোৰ দুৱাৰৰ শিকলিডাল বাহিৰৰ-পৰা উঠাই দিলে।

পুতেকৰ বিষয়ে হতাশা বোধ কৰি সূৰ্য্যপ্ৰসাদে ভাবি থাকিল: ল'ৰা কাল কিমান যে ভাল! খোৱা-বোৱা, সামান্য পঢ়া-লিখা খেল-ধেমালি আৰু বৰি-বকৰা নজনা টোপনি! বছ। কিমান যে সুখৰ কাল! মই এনে জীৱন পুনৰ ঘূৰাই পোৱাহেঁতেন কিমান যে ভাল লাগিলেহেঁতেন মোৰ!

কোঠাটোৰ ভিতৰত বন্ধ হৈ থকা সত্যনাৰায়ণে ভাবি থাকিল: নামতহে বিদ্যালয়, কামত হ'ল যমালয়। তাত আমাৰ একো স্বাধীনতা নাই। ডাঙৰহঁতে যি ক'ব তাকে মানিব লাগিব। আমাৰ ওপৰত ডাঙৰহঁতৰ সদায় খং; কিন্তু ডাঙৰ-হঁতৰ ওপৰত কাৰো খং নাই। ডাঙৰ হ'লে য'লৈকে মন যায় যাব পাৰি, যি মন যায় কৰিব পাৰি। ডাঙৰ হ'ব পৰাহেঁতেন!

এইবোৰ ভাব-চিন্তাৰ কথা জানিব পাৰি লক্ষ্মীদেৱীয়ে তেওঁৰ স্বামীক ক'লে, "এওঁলোকৰ মনোবাঞ্ছা পূৰণ কৰি দিয়ক।"

সত্যনাৰায়ণে মৃদুকৈ হাঁহি মাৰি লক্ষ্মীদেৱীৰ অনুৰোধমতে কাম কৰিলে।

সূৰ্য্যপ্ৰসাদ চাওঁতে চাওঁতে তাৰ পুত্ৰ সত্যনাৰায়ণলৈ ৰূপান্তৰিত হ'ল আৰু সত্যনাৰায়ণ সূৰ্য্যপ্ৰসাদ হৈ উঠিল। কিন্তু এই ৰূপান্তৰ তথা পৰিৱৰ্তনৰ কথা দুজনৰ

মাজত এজনেও টলকিব নোৱাৰিলে।

তাৰ পাছত কিবা এটা কামত সূৰ্য্য-প্ৰসাদ বজাৰলৈ বুলি ওলাল। আৰু আচৰিত হৈ লক্ষ্য কৰিলে যে—ঘৰ-দুৱাৰবোৰ হঠাৎ বৰ ওখ হ'ল। ওপৰমুৱা হৈ নোচোৱালৈকে সূৰ্য্যপ্ৰসাদে এতিয়া আৰু দুই মহলা পকীঘৰবোৰ নেদেখে!

গোপালক দেখা পাই সূৰ্য প্ৰসাদে সুধিলে, "কিহে—গোপাল, কেনে আছা?"

গোপালে ভুৰু কোঁচাই সূৰ্যপ্ৰসাদলৈ খঙাল চকুৰে চালে আৰু দাং খাই উঠি ক'লে, "হেই, বোলোঁ—তই মোক কেতিয়াৰপৰা নাম কাঢ়ি মতা হ'লি অ'? ৰ:, তোৰ দেউতাৰাক ক'ম কথাটো।" এই বুলি কৈ গোপালে সূৰ্য্যপ্ৰাদক মৰিয়াবলৈ লাঠিডাল দাঙি খেদি গ'ল।

কাণ্ড দেখি সূৰ্যপ্ৰসাদৰ মুণ্ড আচন্দ্ৰাই কৰি উঠিল। সূৰ্য্যপ্ৰসাদে থৰ-কাছুটি হেঁকৰাই দৌৰিবলৈ ধৰিলে। দৌৰি দৌৰি হঠাৎ এসময়ত বৈ ভাবিবলৈ ধৰিলে: মই দৌৰিছোঁনো কেনেকৈ? আৰু দৌৰিছোঁৱেইবা কিয়? দৌৰিবৰ কিনো দৰ্কাৰ হ'ল?—এইবোৰ কথা ভাবি ভাবি হঠাৎ তেওঁ হো হোৱাই হাঁহি উঠিল।

এনেতে কোনোবা এজনে সূৰ্য্যপ্ৰসাদৰ কান্ধত হাত থৈ ক'লে, "এই বাবেহে

তই পঢ়াশালিৰপৰা পলাই আহিছিলিনে?"

এটা সাত-আঠ বছৰীয়া ল'ৰাই সূৰ্যপ্ৰসাদহেন বয়সিয়াল মানুহজনক এনেকৈ কোৱাত তেওঁৰ বৰ খং উঠিল। আৰু ল'ৰাটাৰ মুখখনৰ ওপৰত চকু পৰাত খং চাৰিগুণে চৰিল। তেওঁ ক'লে' "ৰ'বি, তোৰ পঢ়াশালিলৈ গৈ মই তোৰ বিৰুদ্ধে প্ৰধান শিক্ষকক ক'ম।"

কিন্তু তাত সৰহপৰলৈ থিয় হৈ নাথাকি সূৰ্যপ্ৰসাদ সুবোধ মহাজনৰ ওচৰলৈ গ'ল আৰু ক'লে, "ভাইহে সুবোধ, আধামোণ চাউল, দহ সেৰ ডাইল, আৰু ইটো-সিটো কেপদমান বস্তু দিয়াচোন মোক।"



"দিম তো—হয়েই। পিছে—টকা-পইচাৰ হিচাপখিনি মাৰি লোৱাই ভাল নহ'ব জানো ?"

সুবোধৰ কথা শুনি সূৰ্য্যপ্ৰসাদৰ উঠিল খং। সূৰ্য্যপ্ৰসাদে তেওঁৰ চোলাৰ জেপ খেপিয়াই চালে; কিন্তু কণা মাকৰি এটিও নাপালে। সূৰ্য্যপ্ৰসাদ আচৰিত হ'ল : টকাৰ মোনাটো ক'ত গ'ল ? সূৰ্য্যপ্ৰসাদে গমিলে যে ক'ৰবাত কিবা কথাত আউল লাগিল। কিন্তু কিহত ?

হঠাৎ—এখন ডাঙৰ দাপোণত নিজক দেখা পাই সূৰ্য্যপ্ৰসাদ বোবা হৈ পৰিল। কেনেকৈ ক'ৰপৰা কি হ'ল সূৰ্য্যপ্ৰসাদে একেবাৰেই বুজি নাপালে। এটা কথা ভাবি তেওঁৰ এনেহেন লাগিল—যেনিবা তেওঁ সপোন দেখি আছে। তেওঁ দেখিলে যে তেওঁৰ পিন্ধনত সেই চোলা-চুৰিয়া নাই, ভৰিত জোতাযোৰ নাই। আৰু আটাইতকৈ আচৰিত কথা, তেওঁৰ দাড়ি-মোচ আৰু চকুত চচমাযোৰো নাই !

তেতিয়াহে সূৰ্য্যপ্ৰসাদে গমিলে যে তেওঁৰ মাজত—যেনেকৈয়েই নহওক—কিবা পৰিৱৰ্ত্তন হৈছে। কিন্তু কিয় যে কি হৈছে—ক'ব নোৱাৰে তেওঁ।

আৰু অৱশেষত সূৰ্য্যপ্ৰসাদে তেওঁৰ আত্মীয় এজনক মতাই অনালে। কিন্তু সেই আত্মীয় মানুহজনো এই নৱ সূৰ্য্য-প্ৰসাদক দেখি অবাক হৈ পৰিল আৰু তৎক্ষণাৎ এটা অছিলা কৰি আঁতৰি গ'ল।

সূৰ্য্যপ্ৰসাদে ভাবি থাকিল : মোৰ যে কিবা এটা ৰূপান্তৰ হ'ল সেই কথা ধুৰুপেই। আৰু কিয় হ'ল কেনেকৈ হ'ল কেতিয়াৰপৰা হ'ল—সেইবোৰ ভাবি ভাবি মূৰ ঘোলা কৰাৰো অৰ্থ নাই। পিছে—সত্যৰ—? মোৰ ল'ৰা সত্যনাৰায়ণৰো কিবা ৰূপান্তৰ হ'লনে ?

এনেতে সত্যনাৰায়ণে জঁপ মাৰি মাৰি ঘৰৰ ওপৰৰ মহলালৈ যাবলৈ চেষ্টা কৰি থাকিল। তাৰ দেউতাকে যে ক'ত

টকা লুকাই থয়—জানে সি। সি টকা সৰকাৰ অলপ। কিন্তু—সি আগৰদৰে খটখটি বগাব নোৱৰা হৈছে। তাৰ দেহ এতিয়া শিলহেন গধুৰ যেন হৈ উঠিছে, ভৰিয়ে নচলা হৈছে। ইখন ভৰি কেনেবাকৈ দাঙিলে সিখন দণ্ডা টান। সত্যনাৰায়ণে ভোৰভোৰাই আছিল, আৰু বহু কষ্টেৰে ওপৰ মহলালৈ গৈ আছিল।

অলপ—জিলাপী-টিলাপি মিঠাই-চিঠাই খোৱা য'ক। ভাবিলে সত্যনাৰায়ণে। আৰু লগে লগে ঘৰৰ কাম কৰা মানুহ এজনক সেইবোৰ বস্তু আনিবলৈ ক'লে।

ঘৰুৱা কাম কৰা মানুহ হৰকান্তই কৈ উঠিল, "এয়া এতিয়াই দেখোন আপুনি ভাত-চাত খাই উঠিল। এতিয়া আকৌ—সৰু ল'ৰাৰ দৰে এইবোৰ খাবলৈ লৈছে কিয়? এতিয়া এইবোৰ যা-তা খালে আপোনাৰ পেট চলিব।"

"মোৰ পেটক চলক বা বলক বা পেটত লাগকেই খলক—তোক নোসোধো নহয়? মই কি জলপান খামনে কি খাম—তোক শুধি নাখাওঁ নহয়? মই যি কওঁ—তই তাকে কৰিবিনে নকৰ পট্‌কৈ ক'।" সত্যনাৰায়ণে ক'লে।

সৰু ল'ৰা সত্যনাৰায়ণেও যে এনেকৈ ডাবি-ধমকিৰে কথা ক'ব—সেই কথা হৰকান্তই শুনিও বিশ্বাসেই কৰিব পৰা নাছিল। সি চকুৰে ধোঁৱা-কোঁৱা দেখি—



আয়না লগোৱা আলমাৰিটো খুলি টকা সৰকাবলৈ। আৰু গৈয়েই আলমাৰিৰ গাত থকা আয়নাত নিজৰ ৰূপ দেখি চুপ হৈ গ'ল। কেতিয়া যে ক'ৰপৰা কি হ'ল—সি একো ঠাৱৰ কৰিব নোৱাৰিলে। কিন্তু সি দেখাত সাইলাখ তাৰ দেউতাকৰ নিচিনা হৈ পৰিছে যে—সেই কথাত সি নিঃসন্দেহ হ'ল। আৰু ভয়তে তাৰ গাৰ লোম ডাল ডাল হৈ উঠিল, মূৰৰ চুলিকিডালি কেটেলাৰ কাঁইটৰ দৰে পোন হৈ উঠিল।

সি যেনিবা নিজে নিজেই নোহোৱা হৈ পৰিল, সত্যনাৰায়ণ গুচি মিথ্যানাৰায়ণ হৈ পৰিল। সি বিভ্ৰান্ত হৈ ইফালে-সিফালে চাবলৈ ধৰিলে। সি চাৰিওফালে চাই চাই তাৰ দেউতাকক বিচাৰিবলৈ ধৰিলে। কিন্তু আলমাৰিৰ আয়না'ত সাইলাখ তাৰ দেউতাকক দেখাৰ বাহিৰে ক'তো দেখা নাপালে। যিমানেই সি আলমাৰিৰ আয়নালৈ চাই পঠায়, সিমানেই সি তাৰ সলনি তাৰ দেউতাককহে যেনিবা দেখা পায়। সত্যনাৰায়ণে পৰিষ্কাৰভাৱে দেখা পালে যে—সি তাৰ দেউতাককদৰেই টপামূৰীয়া হৈ পৰিছে, তাৰ চকুত চচমা, আনকি একোচা দীঘল মোচো আছে তাৰ! সি এইবোৰ কথা-

সাত-পাঁচ ভাবি-গুণি বেজ এজনক মাতি লৈ আহিলগৈ।

বেজে সত্যনাৰায়ণক চাই, পৰীক্ষা কৰি, বেমাৰ-চেমাৰ একোৱেই একেবাৰে ধৰিব নোৱাৰি এসোপা দৰব দি যঃ পলায়তি সঃ জীৱতিকৈ খোজ লোৱাৰ ছলত দৌৰহে লগালে।

কিন্তু—বেজ পলাই যোৱাৰ পাছতো সত্যনাৰায়ণ ঠাইতে ঠৰ হৈ বহি থাকিল। সি ভাবি থাকিল : বেজেনো মোৰ নিচিনা সৰু নাওমান ল'ৰা এটাৰ লগত 'আপুনি' 'আপুনি' বুলি মাতিব পায়নে? কথানো কি? তাৰ পাছত সত্যনাৰায়ণ গ'ল

কাগুৰ মাথা-মুণ্ড বুজিব নোৱাৰি চকু-মুখত পানী ছটিয়ালে।

সি যে কেনেকৈ আৰু কিয় দেখাত তাৰ দেউতাকৰ দৰে হ'ল, সেই ৰহস্যজনক কথাৰ তলা-নলা ভাবি উলিয়াব নোৱৰা হ'ল। সি এক অজান আশংকা তথা অপাৰবিস্ময়ৰ সাগৰত ডুব গৈ একেবাৰে জঠৰ হৈ বহি থাকিল।

তাৰ পাছত হঠাৎ এটা কথা ভাবি তাৰ বৰ ভাল লাগি গ'ল। সি ভাবিলে : যেই কি নহওক—আৰু পঢ়াশালিলৈ যাব নেলাগে, শিক্ষকৰ হাতৰ বেতৰ কোব খাব নেলাগে, পঢ়াশালিৰপৰা কিয় সোনকালে গুচি আহিলি বুলি সুধিলেও আৰু কৈফিয়ৎ দিব নেলাগে। এতিয়াৰপৰা সি যি ইচ্ছা খাব পাৰিব, য'লৈকে মন যায় যাব পাৰিব, যি লাগে পাব পাৰিব। তাক এতিয়া আৰু বাধা দিওঁতা কোনো-ক'তো-কেও নাই!

এইবোৰ কথা ভবাৰ পাছ মুহূৰ্ততে তাৰ মনত আন এটা প্ৰশ্নয়ো মূৰ দাঙি উঠিল : দেউতা বাৰু দেউতা হৈ আছেনে? —ভবা মাত্ৰেই তাৰ মন গ'ল দেউতাৰ ক'ত আছে বিচাৰি উলিয়াবলৈ।

এনেতে খোজৰ শব্দ উঠিল, আৰু আঠ বছৰীয়া সৰু ল'ৰা এটি ঘৰৰ ভিতৰলৈ



সোমাই আহিল।

আৰু—এই আঠ বছৰীয়া ল'ৰাটোৱেই যে তাৰ দেউতাক, সেই কথাটো বুজাত সত্যনাৰায়ণৰ অলপো পলম নহ'ল। সি তাৰ দেউতাকক উচিত শিক্ষা দিবৰ মনেৰে আলমাৰিৰ চাবিকোচা লুকাই থ'লে। সূৰ্য্যপ্ৰসাদে হুবহু তেওঁৰ ৰূপত তেওঁৰ ল'ৰাটোক তাত দেখা পাই তৰধ মানিলে। তেওঁৰ বৰকৈ হাঁহি উঠিল ; কিন্তু হাঁহি তেওঁৰ মুখৰপৰা নোলাল।

সেই আলমাৰিটোৰ আয়নাৰ আগত থিয় হৈ সূৰ্য্যপ্ৰসাদ চঁক খাই উঠিল আৰু ল'ৰাক সুধিলে, "আমাৰ এনেকুৰা

ৰূপ পৰিৱৰ্তন কিয় হ'ল ক' পাৰনে?"

সত্যনাৰায়ণে গহীনভাবে ক'লে, "এই কিয়ৰ উত্তৰ দিয়াটো মোৰ পক্ষে তো সম্ভৱ নহয়, মই ক' নোৱাৰিম।"

"এয়া দেখোন বিৰাট বিপদৰ কথা হ'ল। তই যে মই হ'লি আৰু মই যে হ'লোঁ তই—এই কথা কোনেনো বিশ্বাস কৰিব? কাকনো পতিয়াব পাৰিম এনে নোহোৱা-নোপজা নাশ্রুত-নাভূত কথা। ইপিনে—মোৰ যে কিমান ক্ষতি হ'ব—তাৰ লেখ-জোখেই নাই। কিমানক যে কত টকা ধাৰলৈ দিছোঁ—সেই টকাৰ সুত আদায় কৰিব লাগে, মূল উচুল কৰিব লাগে—এইবোৰ এশ এবুৰি কাম কোনেনো কৰি দিব? আৰু—মই এতিয়া এটা আঠ বছৰীয়াৰ ৰূপ ধৰি সিহঁতৰ আগত ওলালে কিবা লাভ হ'ব জানো? সিহঁতে মোৰ কথাৰ এটা আখৰো বিশ্বাস নকৰিব। মোকেই ক'ব মোক পঠিয়াবলৈ।"

সামলা শিঙত মূৰ সুমুউৱা সত্যনাৰায়ণৰূপী সূৰ্য্যপ্ৰসাদে সুৰসুৰীয়াটি হৈ সূৰ্য্যপ্ৰসাদ-ৰূপী সত্যনাৰায়ণক ক'লে।

অলপ পৰলৈ তাপ মাৰি থকাৰ অন্তত সূৰ্য্যপ্ৰসাদে পুনৰ ক'লে, "তোৰ পঢ়া-লিখা কৰাৰ বাৰু কি হ'ব? মুদা মৰিবইনে কি? মই একো ভাবি উলিয়াব পৰা নাই।"

সূৰ্য্যপ্ৰসাদৰূপী সত্যনাৰায়ণে গোমোঠা মুখেৰে ক'লে "এনে টপা মূৰ আৰু হাবিলদাৰৰ দৰে একোচা মোচত তাও দি দি মই সেই সৰু ল'ৰাহঁতৰ লগত বহি অআকখগঘঙ পঢ়িম—সুৰ লগাই নেওতা মাতিম?"

"তই পঢ়া-লিখা কৰনে নকৰ তোৰ ইচ্ছা। কিন্তু মোৰ সুতৰ কাৰবাৰৰ লাভ যে এতিয়া ভূতে খাব—সেই কথা ধুৰুপ।" এই বুলি কৈয়েই বালকৰূপী সূৰ্য্যপ্ৰসাদে সৰু সৰু খোজ পেলাই তাতেই কিবা যেন বিচাৰি থাকিল। [অহা সংখ্যাত



ভূততকৈও অধইচ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, যিকোনো কাম কৰিবলৈ লোৱাৰ আগতে আৰু কাম কৰি থাকোঁতে যদি বিবেক-বুদ্ধিৰে বিচাৰ কৰা নহয়, তেনেহ'লে সহস্ৰ চেষ্টাৰ অন্ততো বিফলতাই মূৰ দাঙিব পাৰে। মোৰ **এই** মন্তব্যৰ প্ৰমাণস্বৰূপে মই তোমাক শ্ৰীমুখৰ কাহিনী ক'ম। এই কাহিনী শুনি শুনি গৈ থাকিলে আন একো নহ'লেও তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে :

কোনোবা এখন গাঁৱত শ্ৰীমুখ নামৰ

'বেতাল-কথা'



এজন দুখীয়া মানুহ আছিল। শ্ৰীমুখবয়সত যুৱা, দেখাত ধুনীয়া। যেনেকৈয়েই নহওক ধনী হ'ব লাগিব—এয়ে আছিল শ্ৰীমুখৰ একান্ত ইচ্ছা।

শ্ৰীমুখে তাৰ এই ইচ্ছা পূৰণৰ বাবে সাধুইঁতৰ কাষ চাপিল। এদিন এজন সাধুৱে তালৈ ট'ট'কৈ চাই থকাৰ অন্তত তাক ক'লে, "মাটিৰ তলত থকা এটা দুষ্ট গ্ৰহ তোমাৰ ওপৰত লম্ভিছে, আৰু তাৰ কাৰণে তোমাৰ উন্নতি নহৈছে। এই দুষ্ট গ্ৰহটোক যদি তুমি তোমালোকৰ ঘৰৰ পিছফালে গাঁত খান্দি পুতি 'পেলাব পাৰা, তোমাৰ মনৰ ইচ্ছা অৱশ্যেই পূৰিব।" এই বুলি কৈ, সাধুৱে শ্ৰীমুখক তাৰিজ এটা দিলে।

শ্ৰীমুখে আনন্দ মনেৰে তাৰিজটোৰে সৈতে ঘৰলৈ উভতি গ'ল। গৈ ঘৰৰ পিছফালে গাঁত এটা খান্দিলে। খন্দাৰ কিছু সময়ৰ অন্তত মাটিৰ তলত বটল এটা পালে। বটলটো দেখাত বৰ ধুনীয়া। বটলটোৰ ভিতৰত কিবা লৰচৰ কৰি আছিল। বটলটোৰ ভিতৰত কি লৰ-চৰ কৰিছেনো! অলপ সময়লৈ অবাক হৈ চাই থকাৰ পাছত শ্ৰীমুখে একেটানে বটলটোৰ ঠিলা খুলি পেলালে।

লগে লগে বটলটোৰ ভিতৰৰপৰা ধোঁৱা গুলুম বান্ধি ওলাল, আৰু সেই গুলুম বন্ধা ডাঠ ধোঁৱাৰপৰা এটা বিৰাট আকাৰৰ শিঙাল ভূত ওলাই আহি বুকু ফিন্দাই শ্ৰীমুখৰ আগত থিয় হ'ল।

ভূতটোক সোঁশৰীলে দেখি শ্ৰীমুখৰ মুখত পানী নোহোৱা হ'ল। কিন্তু ভূতটোৱে কোমল মাতেৰে শ্ৰীমুখক ক'লে, "তুমি মোক দয়া কৰি বন্দী অৱস্থাৰপৰা মুক্তি দিলা; তাৰ বাবে মই তোমাৰ ওচৰত কৃতজ্ঞ হৈ থাকিলোঁ। তোমাক বৰ দুখীয়া যেন লাগিছে। তুমি মোৰ উপকাৰী বন্ধু, গতিকে — ময়ো তোমাৰ উপকাৰ কৰিম। তোমাৰ মূল

সমস্যাৰ কথা মই জানিছোঁ। তোমাক ভাগ্যৱন্ত আৰু আঢ্যৱন্ত হোৱাৰ উপায় মই দিম।”

ভূতৰ মুখত এই কথা শুনাৰ পাছত শ্ৰীমুখৰ মুখত পানী আহিল। শিঙাল ভূতে কোৱা কথাখিনি সি ধৰ্মকথা শুনা দি শুনি থাকিল।

ভূতটোৱে তাৰ উপায়ৰ আঁচনি মতে বিষ্ণুপুৰলৈ গ'ল। বিষ্ণুপুৰৰ সৰাতোকৈ আঢ্যৱন্ত মানুহ আছিল ৰত্নগুপ্ত। ভূতটোৱে ৰত্নগুপ্তৰ ছোৱালীজনীক বাটৰ ওপৰত গৰা মাৰি ধৰিলে। বহু ধৰণে চেষ্টা কৰিও ৰত্নগুপ্তই সেই প্ৰকাণ্ড ভূতটোৰ কবলৰপৰা তেওঁৰ ছোৱালীজনীক উদ্ধাৰ কৰিব নোৱাৰিলে।

আগতেই কৰা আঁচনি মতে, শ্ৰীমুখ যেতিয়া ভূতটোৰ কাষ চাপিল তেতিয়া ভূতটোৱে খৰখৰকৈ ৰত্নগুপ্তৰ ছোৱালী-জনীক এৰি দিলে, যেনিবা — শ্ৰীমুখৰ ভয়তহে।

ৰত্নগুপ্তই এই কথাটোলৈ মন কৰিলে যে—শ্ৰীমুখৰ মুখখন দেখা পোৱা মাত্ৰেই ভয়তে ভূতটোৰ ভগৰত্ত পলাইছিল। তেতিয়া ৰত্নগুপ্তই শক্তিমন্ত শ্ৰীমুখৰ সৈতে নিজৰ জীয়েকৰ যোৰা পাতি দিলে।

এই গুপুত আঁচনিৰ কথাটো কেৱল



ভূতটোৱে আৰু শ্ৰীমুখেহে আনিছিল। ভূতটোৱে শ্ৰীমুখক কৈ থৈছিল, “চোৱা, মই হলোঁ পাহৰা ধানৰ ভাত খোৱা ভূত, সদায় সকলোতে সকলো কথা মোৰ মনত নপৰে। এই বিষয়ে তুমি মোক অলপ সহায় কৰিবা। মোক সৰু সৰুকৈ ক'বাহি, 'হেৰা বটলভূত, তুমি গুচি যোৱা'। যদি প্ৰথমবাৰ কওঁতে মই নুশুনো, তুমি দ্বিতীয়বাৰো ক'বা। তেতিয়া মোৰ মনত পৰিব। মই তোমাক দেখি ভয় খোৱাৰ ভাও জুৰি ছোৱালীজনীক এৰি দিম।”

আৰু—শিঙাল ভূতে তাৰ কথামতে

কাম কৰিছিল আৰু তাৰ পাছত কৈছিল, “চোৱা শ্ৰীমুখ, মোৰ উপকাৰ কৰিলা, ময়ো প্ৰত্যুপকাৰ কৰিলোঁ। কিন্তু আৰু কাহানিও তুমি মোৰ কাষ চাপিছা যদি তোমাক খতম্ কৰি পেলাম।”

শ্ৰীমুখে ৰত্নগুপ্তৰ জীয়েক শ্ৰীবাণীক বিয়া কৰাইছিল।

কিছুকালৰ অন্তত এদিন সেই দেশৰ ৰাজকুঁৱৰীৰ গাত এটা ভূতে লম্ভিলে। দেশৰ ৰজাই ঘোষণা কৰিলে যে—তেওঁৰ জীয়েকক কোনোবাই ভূতৰ কবলৰপৰা মুক্তি দিব পাৰে যদি—তেনেহ'লে সেইজন মুক্তিদাতাৰ সৈতে তেওঁ নিজৰ জীয়েকৰ বিয়া পাতি দিব।

শুনি শ্ৰীমুখে মনতে ভাবিলে ঃ যদি মই এই কামটি কৰিব পাৰোঁ, তেনেহ'লে ৰাজকন্যাক তো লভিমেই, ভৱিষ্যতত ৰজাও হ'ব পাৰিম নিশ্চয়। —কিন্তু বটল-ভূতে যে তাক আগলৈ সুঁৱৰিবলৈকো বাৰণ কৰিছিল, সেই কথাটোও মনত পৰিল।

এনেবোৰ কথা পাগুলি থাকোঁতেই এজন সাধু শ্ৰীমুখৰ ঘৰলৈ আহিল, আৰু শ্ৰীমুখক সাধুৱে ক'লে, “বোপা, ৰত্নগুপ্তৰ জীয়েকক ভূতৰ কবলৰপৰা মুক্ত কৰি তাকেই বিয়াও কৰালা। সেইটো ভূতেই কিন্তু ৰাজকুঁৱৰীতো লম্ভিছে। মই মন্ত্ৰ-তন্ত্ৰ কিছু জানো। পিছে—মোৰ এই মন্ত্ৰৰে চিনাকি ভূতকহে জব্দ কৰিব পাৰি। এই ভূতটোক মই চিনি নাপাওঁ; কিন্তু তুমি তো চিনি পোৱা। তাৰ কিবা চিনাকি মোক দিব পাৰিবানে তুমি?”

সাধুৰ কথাৰ উত্তৰত শ্ৰীমুখে ক'লে, “আপুনি সাধু, সংসাৰৰ সকলো লোভ-মোহ আপুনি পৰিত্যাগ কৰিলে। ৰাজকুঁৱৰীক ভূত-মুক্ত কৰি আপোনাৰনো কি লাভ হ'ব? বৰঞ্চ—এই কামটো মই যদি সুকলমে কৰিব পাৰোঁ, মই ৰাজকুঁৱৰীক বিবাহ কৰাই আগলৈ আনকি ৰজাও হ'ব পাৰিম। মন্ত্ৰফাকি মোকেই

আপুনি শিকাই দিয়ক।"

"শুনা—" সাধুৱে হাঁহি মাৰি ক'লে, "এই ভূতটোক জব্দ কৰিবলৈ হ'লে এতিয়া তোমাৰ আগৰ কৌশলেৰে নহ'ব। তেতিয়া সি তোমাতো লম্ভিবহি।"

সাধুৰ কথাত শ্ৰীমুখে অলপো ভয় নকৰি ক'লে- "শুনক সাধুবাবা, ভূত যিমানেই ভয়ানক নহওক, মানুহৰ বুদ্ধিৰ আগত সিহঁত নগণ্য। আপুনি আপোনাৰ মন্ত্ৰফাকি শিকাই দিয়কেইচোন ?"

সাধুৱে বটল-ভূতৰ বিবৰণ জানি লোৱাৰ অন্তত শ্ৰীমুখক সেই মন্ত্ৰফাকি শিকাই দিলে আৰু তাক ক'লে, "এই মন্ত্ৰ মাতি ৰাজকুঁৱৰীৰ আগত এটা বটল থৈ দিবা আৰু ক'বা—'হে হে হে! বটল-ভূত ঐ বটল-সোমা, নহ'লে পিন্ধাম পায়জামা'। যেতিয়া ভূতটো বটলত সোমাবহি, লগে লগে বটলটো ঠিলা মাৰি বন্ধ কৰি মাটিৰ তলত পুতি পেলাবা।"

তাৰ পাছত শ্ৰীমুখে বটল এটা হাতত লৈ ৰাজকুঁৱৰীৰ ওচৰলৈ গ'ল আৰু সাধুৱে শিকাই দিয়া মন্ত্ৰ মাতি বটল থৈ কৈ উঠিল, "হে হে হে! বটল-ভূত ঐ বটল-সোমা, নহ'লে পিন্ধাম পায়জামা।"

কথাষাৰ শেষ হোৱাৰ লগে লগেই বিছনাৰপৰা জঁপ মাৰি উঠি ৰাজকুঁৱৰী

মজিয়ালৈ কৰ্ফাল খাই পৰিল। আৰু—

পাছমুহূৰ্তৰেপৰাই শ্ৰীমুখে হাত-ভৰি আছাৰি আছাৰি হো হো কৰে হাঁহি হাঁহি থিয় জঁাপ মাৰিবলৈ ধৰিলে। তাত উপস্থিত থকা মানুহখিনিয়ে' আৰু ৰজায়ো বুজি পালে যে—ভূতে ৰাজকুঁৱৰীক এৰি শ্ৰীমুখক ধৰিছে। এই কথাত সকলোৱে হায় হায় কৰি উঠিল।

আৰু ঠিক তেতিয়াই সেই সাধু তালৈ আহিল। আহিয়েই এটা ডাঙৰ বটল মজিয়াত থৈ, মন্ত্ৰ মাতি গম্ভীৰ কণ্ঠেৰে ভূতক আদেশ কৰাৰ সুৰতে ক'লে, "বটল-ভূত বটল-সোমা, নহ'লে দিম পায়জামা।"

সাধুৰ কথাষাৰ শেষ হোৱাৰ লগে লগেই শ্ৰীমুখ জঁাপ মাৰি মজিয়াত কৰ্ফাল খাই পৰিল আৰু সাধুৰে বটলত সোমোৱা ভূতটোক তৎক্ষণাৎ আন কোনেও নেদেখাকৈ মাটিৰ তলত পুতি পেলালে।

দেশৰ ৰজাই সাধুৰ কাৰ্য্যকাৰিতাৰ্লৈ মন কৰিও শ্ৰীমুখৰ সৈতেই ৰাজকুঁৱৰীৰ বিবাহ অনুষ্ঠিত হ'ব বুলি স্থিৰ কৰিলে।

কিন্তু স্বয়ং শ্ৰীমুখেই ৰজাক ক'লে, "ৰাজকুঁৱৰীক ভূতৰ কবলৰপৰা মুক্ত কৰাৰ কৃতিত্ব মোৰ নহয়, সাধুজীৰ।"

ৰজাই এই বিষয়ে সাধুক সোধাত সাধুৰে ক'লে, "শ্ৰীমুখেই ৰাজকুঁৱৰীৰ স্বামী হোৱাৰ বাবে যথাযোগ্য পাত্ৰ!"

শ্ৰীমুখে অবাক সাধুক ক'লে, "হে প্ৰভু! মই মানুহ এজন হৈও নিজক ভূততকৈয়ো অধইচ বুলি ভাবিছোঁ।" কৈয়েই শ্ৰীমুখ তৎক্ষণাৎ তাৰপৰা ওলাই গুচি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, প্ৰকৃত আচৰণত তা ভৱিষ্যতত ৰজা হোৱাৰ এনে অভাৱনীয় সুযোগ পায়ো শ্ৰীমুখ কিয় তেনেকৈ মন্তব্য কৰি গুচি গ'ল, এই প্ৰশ্নৰ উত্তৰ জানিও সঠিককৈ নিদিলে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব এই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "যিটো ভূতে তাৰ দুখীয়া অৱস্থাত ইমান উপকাৰ কৰিছিল, সেইটো উপকাৰী ভূতক শ্ৰীমুখে বটলত ভৰাই পুতি পেলোৱাৰ চেষ্টা কৰাত উপকাৰীৰ প্ৰতি বিশ্বাসঘাতকতা কৰাত তাৰ মনত অনুতাপ হোৱাত শ্ৰীমুখে তেনেকৈ মন্তব্য কৰি সকলো পৰিত্যাগ কৰি গুচি গৈছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

অচল মুদ্ৰা

ৰজা চন্দ্ৰশেখৰ চিকাৰলৈ ওলাল। তেওঁৰ লগত মন্ত্ৰী-সেনাপতি আৰু অন্যান্য সকৰ বিষয়াসকলো গ'ল। চিকাৰৰ অন্তত তেওঁলোকে গছৰ ছাঁত বহি খান-পিনা কৰি থাকোঁতে এজন তীৰ্থযাত্ৰীয়ে সামান্য দান প্ৰাৰ্থনা কৰাত ৰজাই এটা মুদ্ৰা দিলে আৰু পুনৰ মন্ত্ৰী-সেনাপতি আদিৰ লগত গল্প কৰিবলৈ ধৰিলে।

তীৰ্থযাত্ৰীজন গুচি গৈছিল; কিন্তু পুনৰ উভতি আহি ৰজাক ক'লে, "হে স্বদ্বংশজাত! এই মুদ্ৰাটো ওভোতাই লওক, আৰু আন এটা মুদ্ৰা দিয়ক।"

"কিয়?" ৰজাই সবিস্ময়ে সুধিলে।

"কিয়নো—মুদ্ৰাটো অচল মুদ্ৰা।"

শুনি ৰজাৰ পেটে পেটে খং উঠিল। তেওঁ ক'লে, "যি দিলোঁ লৈ যোৱা।"

তীৰ্থযাত্ৰীজনে তথাপি ক'লে, "আপুনি এই অচল মুদ্ৰাটো যদি ওভোতাই লয়, মই উপকৃত হ'ম" এই বুলি কৈ, মুদ্ৰাটো ৰজাৰ ভৰিৰ ওচৰত থৈ তীৰ্থযাত্ৰীজন তৎক্ষণাৎ গুচি গ'ল।

এজন সামান্য তীৰ্থযাত্ৰী তথা ভিখাৰীৰ এনে উদ্ধত আচৰণত ৰজা-মন্ত্ৰী সেনাপতি সকলোৰে উগ্ৰ খং উঠিল। ৰজাৰ আদেশত প্ৰহৰীহঁতে তীৰ্থযাত্ৰীজনক ধৰি আনিলেগৈ।

তেতিয়া ৰজাই তীৰ্থযাত্ৰীজনক ক'লে, "মই হ'লোঁ এই দেশৰ ৰজা, আৰু তুমি হ'লা মোৰ প্ৰজা। মুদ্ৰাটো অচল হ'লেও এইটো তোমাৰ গৌৰৱৰ বিষয়। মই মুদ্ৰাটো ঘূৰাই ল'লে কেনেকৈনো তোমাৰ উপকাৰ হ'ব?"

তীৰ্থযাত্ৰীজনে সুধিলে, "মহাৰাজ!

ৰমলা বৰা

এই মুদ্ৰাটোও নিশ্চয় আমাৰ টকাশালতে তৈয়াৰ কৰা হৈছে ?”

অবাক হৈও ৰজাই সংযত হৈ ক'লে, “হয়। কিন্তু এই প্ৰশ্ন কিয় কৰিছা ?”

“মহাৰাজ! এই প্ৰশ্নৰ কৰাৰ কাৰণ হ'ল যে—আমাৰ টকাশালত তেন্তে কিছুমান অযোগ্য আৰু অসৎ মানুহো আছে।”

সেনাপতিয়ে বিৰক্ত হৈ ক'লে, “ক'ত অযোগ্য ক'ত অসৎ মানুহ আছে, সেই কথা আমি ভাবিম। তুমি মহাৰাজৰ কথাৰ উত্তৰ দিয়া।”

সেনাপতিৰ কথাৰ উত্তৰত তীৰ্থযাত্ৰীয়ে অতি বিনম্ৰতাৰে সৈতে ক'লে, “এই মুদ্ৰাটো ক'তো কোনেও নল'ব, এইটো এটা অচল মুদ্ৰা। কিন্তু এই মুদ্ৰাটো স্বয়ং মহাৰাজে মোক দান কৰাত—মই মুদ্ৰাটো অচল হোৱা সত্বেও পেলাই দিব নোৱাৰিম। স্বয়ং মহাৰাজে দিয়া-হেতুকে মুদ্ৰাটোৱে মোৰ মনত সদায় খোচা-বিন্ধা কৰি থাকিব। ইপিনে—অচল মুদ্ৰা এটা এনেকৈ ৰাখি থ'বলৈকো বেয়া লাগিব। কিয়নো—এই অচল মুদ্ৰা এটালৈ যিমানেই চকু পৰিব, সিমানেই মহাৰাজকো মনত পৰিব। তদুপৰি—অচল মুদ্ৰাটো বজাৰত চলাবলৈ চেষ্টা কৰাৰো এটা বিপদ নথকা নহয়। তেতিয়া মহাৰাজৰ প্ৰহৰীহঁতেই মোক ধৰি বান্ধি লৈ যাব। গতিকে—সকলো ফালৰপৰা বিবেচনা কৰিলে—মহাৰাজৰ অচল মুদ্ৰা মহাৰাজক ঘূৰাই দিয়াই ভাল হ'ব বুলি ভাবিহে তেনেকৈ কৈছিলোঁ। কিয়নো—এটি অচল সন্তান হ'লেও তো সেই সন্তানটি মহাৰাজৰ হ'লহেঁতেন। মুদ্ৰাটোও তো দৰাচলতে তেওঁৰেই।”

তীৰ্থযাত্ৰীৰ কথাৰ অন্তৰ্নিহিত তাৎপৰ্য্য উপলব্ধি কৰি ৰজাই তেওঁৰ ডিঙিৰ বহুমূল্য হাৰডাল তৎক্ষণাৎ তীৰ্থযাত্ৰীজনৰ ডিঙিত পিন্ধাই দিলে। O

চান্দমামা-ক্ৰোড়পত্ৰ-৯

জ্ঞান ভাণ্ডাৰ

ঐতিহাসিক
এই মাহৰ ব্যক্তিত্ব

হৰিকৃষন্

মাত্ৰ পাঁচ বছৰ বয়সকালতে শিখ গুৰু! হয়, শুনাত অবিশ্বাস্য যেন লাগিলেও সঁচা। গুৰু হৰি ৰাইদেৱৰ মুমলীয়া পুত্ৰ হৰিকৃষন্ ১৬৫৬ চনৰ ৭ জুলাইত জন্মগ্ৰহণ কৰি পাঁচ বছৰীয়াতে শিখ সম্প্ৰদায়ৰ গুৰু হৈছিল।

ইমান কম বয়সতো তেওঁ আছিল তেওঁৰ দায়িত্বশীলতাৰ সম্পৰ্কে সচেতন। তেওঁ আছিল শান্ত আৰু মৰ্যাদাসম্পন্ন। মোগল বাদশ্বাহৰ দৰবাৰত তেওঁৰ বিৰুদ্ধেও অভিযোগ উত্থাপিত হোৱাত বাদশ্বাহে এওঁক দিল্লীলৈ মতাই পঠালে অম্বৰৰ ৰজা জয়সিংহই গুৰু হৰিকৃষনক দিল্লীলৈ বুজাই-বঢ়াই লৈ আহিল। কিন্তু দিল্লীত তেওঁক আই বেমাৰে আক্ৰমণ কৰাত আৰু অৱস্থা বেয়ালৈ ঢল লোৱাত ভক্ত শিষ্যবৰ্গই কান্দি থাকিল। গুৰু হৰিকৃষনে তেওঁৰ ভক্ত শিষ্যবৰ্গক কান্দোনৰ পৰিৱৰ্তে ভগৱন্তৰ ভজন গান কৰিবলৈ ক'লে। ১৬৬৪ চনৰ ৩০ মাৰ্চ তাৰিখে তেওঁ যেতিয়া স্বৰ্গী হ'ল, তেওঁ তেতিয়া প্ৰায় আঠবছৰীয়া।

তেওঁনো কোন

যজ্ঞ সমাপনৰ অন্তত এগৰাকী মুনিয়ে যজ্ঞস্থলত উপস্থিত থকাসকলৰ মাজত তেওঁৰ সমুদায় দ্ৰব্য-সামগ্ৰী দান কৰিব বুলি ঘোষণা কৰাত মুনিৰ মুমলীয়া পুত্ৰটিয়ে ভাবি ল'লে যে তাকো নিশ্চয় দান কৰা হ'ব। সি তাৰ দেউতাকক বাৰে বাৰে সুধি থাকিল, "দেউতা, মোক কাক কোনে নিব?" বাৰে বাৰে সোধাত জলাকলা হৈ দেউতাকে ক'লে. "তোক যমে নিব।" আৰু লগে লগে ল'ৰাটো মৃত্যুৰ দেৱতা, যমৰ আবাস পালেগৈ। তেতিয়া যম উপস্থিত নাছিল] ল'ৰটো একেৰাহে তিনিদিন ধৰি যমালয়ৰ দুৱাৰমুখত বৈ থাকিল; ল'ৰাটোৰ ধৈৰ্য্য দেখি ভাল পাই যমে তাক তিনিটা বৰ দিব খোজাত ল'ৰাটোৱে যমৰপৰা মৃত্যু-ৰহস্য তথা মৃত্যুৰ অন্তত আত্মা ক'লৈ যায় — সেই কথা জানিব খোজাত যমে আনন্দেৰে সৈতে ল'ৰাটিৰ এই প্ৰশ্নৰ উত্তৰ দিলে।

কিংবদন্তিৰ এই ল'ৰাটোনো কোন?

[উত্তৰ : ৮ পৃষ্ঠাত



বিজ্ঞানৰ আনন্দ
গতিৰ বিৰতি

কেনেকৈ কি কৰিব লাগিব :

ভেকুৱাম ক্লিনাৰৰ লগত ওপৰমুৱাকৈ এডাল নলী সাংুৰি দিয়া (হেয়াৰ ড্ৰায়াৰো ব্যৱহাৰ কৰিব পাৰা)। এই ভেকুৱাম ক্লিনাৰৰপৰা যেতিয়া সবেগে বতাহ ওলাব, তেতিয়া সেই বায়ুৰ সোঁতৰ ওপৰত এটা পিংপং বল স্থাপন কৰা। বলটো বায়ু স্ৰোতৰ ওপৰত নথকা হলেও এসময়ত থাকিবই।

কি আৰু কিয় হয় :

যদি বায়ুস্ৰোত ওলোৱা নলীৰ মুখত সঠিকভাৱে স্থাপন কৰা হয়, তেনেহ'লে বলটো কঁপি থাকিব, বায়ুস্ৰোতৰ চাৰিওফালে জঁপিয়াই ফুৰিব কিন্তু তললৈ নপৰিব। ভালকৈ লক্ষ্য কৰিলে বলটোক বায়ুস্ৰোতৰ কেন্দ্ৰবিন্দুত আকৰ্ষিত হোৱা দেখা পাবা।

বায়ুস্ৰোতৰ কেন্দ্ৰবিন্দুত বায়ুৰ গতি হয় অধিক দ্ৰুত আৰু সেই কাৰণে বায়ুস্ৰোতৰ অন্যান্য ফালে বলটোৰ চাপ হয় কম। আৰু এই হেতুকে, বলটোৰ বাহিৰ ফালে থকা বায়ুৱে বলটোক বায়ুস্ৰোতৰ কেন্দ্ৰবিন্দুৰ পিনে সদায় ঠেলি দিয়ে আৰু বায়ুস্ৰোতৰ তলৰপৰা ওলোৱা হেঁচায় বলটোক ওপৰমুৱাকৈ ৰাখে আৰু এই ঠেলা-হেঁচাৰ ফলত বলটো ক্ৰমাগত জঁপিয়ায় আৰু কঁপে।

এইবাৰ ছয় ইঞ্চি ব্যাসৰ ঘূৰ্ণীয়া আকৃতিৰ বেলুন এটা পিংপং বলটোৰ এফুটমান ওপৰত স্থাপন কৰা। যদি বেলুনটো নিচেই কম ওজনৰ হয়, এটা পেপাৰক্লিপ বেলুনটোৰ গাত লগাই দিয়া। যদি বেলুনটো বিৰাট আকাৰৰ হয়, এটা পইচা লগাই তলৰফালে বেলুনটোক নমাবা।

তুমি অন্যান্য ধৰণৰ বলও বায়ুস্ৰোত স্থাপন কৰিব পাৰানে? এটা ষ্টাইৰফ'ম বলেৰে পৰীক্ষা কৰি চাব পাৰা।

অবাক পৃথিৱীৰ আচৰিত বস্তু

ঈষ্টাৰ দ্বীপৰ ৰহস্যময় মূৰ্তিসমূহ

দক্ষিণ প্ৰশান্ত মহাসাগৰত অরস্থিত ঈস্টাৰ দ্বীপত অসংখ্য ৰহস্যময় মূৰ্তি পৰিলক্ষিত হয়। এই মূৰ্তিসমূহ ৩ ফুটৰপৰা ৩৭ ফুটলৈকে ওখ। আনকি ৬৬ ফুট ওখ মূৰ্তি এটিও আছে। এইবোৰ ওজনত ৮০ টনলৈকে আছে।

এইবোৰ মূৰ্তি এটা আগ্নেয়গিৰিৰ ওচৰত নিৰ্মিত। কেনেকৈকনো এইবোৰ ইয়ালৈ লৈ অহা হৈছিল? আধুনিক বিশেষজ্ঞ সকলে এই প্ৰশ্নৰ উত্তৰ বিচাৰি উলিউৱাত ব্যৰ্থ হৈছে। এইবোৰ মূৰ্তি কেতিয়া আৰু কিয় নিৰ্মাণ কৰা হৈছিল, অদ্যাপি কোনেও ক'ব পৰা নাই।

পৃথিৱীৰ বৃহৎ ঘটনাৱলী

নতুন জাতিৰ জন্ম

এয়া ভাৰতবৰ্ষত বুদ্ধদেৱৰ আমোলৰ কথা। পূৰ্ব ভাৰতৰ এক ৰাজবংশৰ বিজয়সিংহ নামৰ এগৰাকী ৰাজকোঁৱৰ তেওঁৰ সাতশ যুৱা অনুচৰৰে সৈতে সাগৰৰ বুকুৰেদি এক অজান ঠাইলৈ ৰাওনা কৰিলে। গৈ গৈ তেওঁলোক এটা দ্বীপ পালেগৈ। এই দ্বীপটো অটব্য অৰণ্য আৰু পাহাৰেৰে ভৰপূৰ। সমগ্ৰ দ্বীপটোত এমুঠি বনৰীয়া মানুহৰ বাহিৰে আন কোনো নাছিল। বিজয়-সিংহৰ অনুচৰহঁতে এই বনৰীয়াহঁতক অৰণ্যৰ গভীৰলৈ খেদি পঠালে আৰু তাত ৰাজত্ব প্ৰতিষ্ঠিত কৰিলে। তাৰ পাছত, ৰজা বিজয়সিংহই দক্ষিণ ভাৰতৰ মাদুৰাইলৈ তেওঁৰ কিছুমান অনুচৰক প্ৰেৰণ কৰি তাৰ পাণ্ড্য ৰজালৈ তেওঁৰ কন্যাক এই নৱ প্ৰতিষ্ঠিত দ্বীপৰ ৰাণী ৰূপে আৰু আন সাতশ যুৱতীকো পঠাবলৈ অনুৰোধ জনালে, যাতে ৰজা বিজয়সিংহ আৰু তেওঁৰ সাতশ অনুচৰে বিবাহ কৰি ইয়াতে জীৱনৰ পাতনি তৰিব পাৰে। দক্ষিণ ভাৰতৰ পাণ্ড্য নৃপতিয়ে বিজয়সিংহৰ প্ৰস্তাৱত সন্মত হ'ল আৰু পাণ্ড্য ৰাজকুঁৱৰীক লগত আন সাতশ যুৱতীকো তালৈ পঠালে। বিজয়সিংহই ৰাজকুঁৱৰীৰ আৰু তেওঁৰ সাতশ যুৱক অনুচৰে সাতশ যুৱতীক বিবাহ কৰালে। বিজয়সিংহই দ্বীপটোৰ নাম-কৰণ কৰিলে 'সিংহল'। এই নামটো আছিল বিজয় সিংহৰ 'সিংহ'ৰপৰা উদ্ভূত। সম্ৰাট অশোক পুত্ৰ মহেন্দ্ৰ এই দ্বীপ পৰিদৰ্শনলৈ আহিছিল আৰু বিজয়সিংহৰ উত্তৰাধিকাৰীসকলক বৌদ্ধধৰ্মৰ বিষয়ে শিক্ষাদান কৰিছিল। ৰাজকোঁৱৰ মহেন্দ্ৰৰ ভনীয়েক ৰাজকুঁৱৰী সংঘমিত্ৰাই তাত বোধিবৃক্ষৰ পুলি এটি ৰোপণ কৰিছিল। সেই বোধিবৃক্ষ আজিকোপতি অনুৰাধাপুৰত জীয়াই আছে।


MADURAI
ANURADHAPURA

ভাৰতৰ অতীতলৈ জুমি চাওঁ আহঁা

১. কোন মোগল সম্ৰাটে এক নতুন ধৰ্ম প্ৰৱৰ্তন 'কৰিছিল ?
২. সেই নৱ প্ৰৱৰ্তিত ধৰ্মৰ নাম কি আছিল ?
৩. সেই ধৰ্মৰ নামৰ অৰ্থ কি আছিল ?
৪. কোন দুগৰাকী ৰাজপুত বীৰে আলাউদ্দিন খলজীৰ চিতোৰ আক্ৰমণত বাধা দিছিল ?
৫. তেওঁলোকে ৰক্ষা কৰা কিংবদন্তিৰ সেই ৰাণী কোন আছিল ?
৬. তেওঁলোক কোন ৰাজ্যৰ আছিল ?
৭. পাণ্ডৱসকলে নিৰ্মাণ কৰা নগগৰখনৰ নাম কি ?
৮. সেই ঠাইৰ আগৰ নাম কি আছিল ?
৯, কৌৰৱসকল বসবাস কৰা নগৰৰখনৰ নাম কি আছিল ?
১০, এই নগৰ দুখন ক'ত অৱস্থিত আছিল ?

[উত্তৰ : ৮ পৃঃ]

সত্যঘটনা
বৈজ্ঞানিক উদ্ভাৱন আৰু আৱিষ্কাৰৰ পৃথিৱীত

১. যিশুখৃষ্টই কোন ভাষাত মাত-বোল কৰিছিল ?
২. কোনগৰাকী ৰজাই শিক্ষকতা কৰি জীৱিকা আৰ্জিছিল ?
৩. কোন প্ৰাণী কেৱল ইউকেলিপটাছ বৃক্ষৰ পাতৰ ওপৰত বাস কৰে ?
৪. আজিলৈকে নিৰ্মিত আটাইতকৈ ডাঙৰ সমাধি কোনটো ?
৫. আঠ সপ্তাহ বয়সতে কোনে মাতৃভাষাত অনৰ্গল মাত-বোল কৰিব পাৰিছিল ?
৬. কোন গছে ভেকুলীবোৰক ভক্ষণ কৰিব প·ৰে ?
৭. পাটপলুৱে কিমান দীঘল সূতা পকাই ৰাখিব পাৰে ?
৮. পৃথিৱীৰ আটাইতকৈ ডাঙৰ ঘণ্টা ক'ত পৰিলক্ষিত হয় ?
৯. কোন চৰাই অতি দীৰ্ঘজীৱি ?
১০. সূৰ্য্যৰ ভিতৰফালৰ তাপমাত্ৰা কিমান ?

[উত্তৰ : ৮ পৃষ্ঠাত]

আমাৰ
সাহিত্য-পুৰাণলৈ
এভুমুকি

১. আমি জনা মতে মহাভাৰতৰ বৰ্ণনাকাৰী কোন ?

২. তেওঁ ক'ত মহাভাৰত বৰ্ণনা কৰিছিল ?

৩. কি উপলক্ষ্যে বৰ্ণনা কৰিছিল ?

৪. বৰ্ণনাকাৰীয়ে কাৰপৰা সেই মহাকাব্য শুনিছিল ?

৫. আজিৰ দিনত আমি জনা মতে মহাভাৰতত কিমান শ্লোক আছিল ?

৬. প্ৰাথমিকভাৱ মহাভাৰতত কিমান শ্লোক আছিল ?

৭, মহাভাৰতৰ যুদ্ধ কিমান কালব্যাপী চলিছিল ?

৮. পৃথিৱীত দীৰ্ঘতম মহাকাব্য কি ?

৯. প্ৰথমতে ইয়াক কোনে লিখি উলিয়াইছিল ?

১০. ব্যাসৰ সম্পূৰ্ণ নাম কি ?

[উত্তৰ : ৮ পৃষ্ঠাত]

ভাৰতৰ সকলো ভাষাত এটা শব্দ

শিকোঁ আহঁা

‡ পশ্চিম ‡

সংস্কৃত : প্ৰতীচী ; মৰাঠী, গুজৰাটি, বাংলা, অসমীয়া আৰু ওড়িয়া : পশ্চিম ; কন্নড় : পশ্চিমা ; পঞ্জাৱী : পচ্ছম ; উৰ্দু আৰু কাশ্মীৰি : মগ্‌ৰিব ; সিন্ধি : আউলহু ; তেলুগু : পড্‌মাৰা ; তামিল : মোৰাৰক্কু ; মালয়ালম : পতিঞ্ঞাৰু ।

বিশ্বাস কৰানে ?

* যিকোনো ধৰণৰ কুকুৰে ভুকিব পাৰে ?
* নহৰু পিঁয়াজৰ পজাতি ?
* ঘোঁৰা সুপ্ৰাচীন কালতো আজিৰ দৰেই ডাঙৰ আছিল ?

নহয় !

* পশ্চিম আফ্ৰিকাৰ কংগো বুশ্ নামৰ কুকুৰে ভুকিব নোৱাৰে।
* নহৰু হ'ল পচুমৰ প্ৰজাতি।
* উত্তৰ আমেৰিকাৰ প্ৰাগৈতিহাসিক ঘোঁৰা কুকুৰতকৈ ডাঙৰ নাছিল।

উত্তৰ

তেওঁনো কোন ?

নচিকেতা।

ভাৰতৰ অতীত

১. আকবৰ।
২. দীন-ঈ-ইলাহী।
৩. স্বৰ্গীয় বিশ্বাস।
৪. গোৰা আৰু বাদল।
৫. ৰাণী পদ্মিনী।
৬. মেওৱাৰ।
৭. ইন্দ্ৰপ্ৰস্থ।
৮. খাণ্ডৱ-বন।
৯. হস্তিনাপুৰ।
১০. দিল্লীৰ ওচৰত।

সত্যঘটনাৰ পৃথিৱীত

১. আৰামাইক।
২. লুইচ ফিলিপ [১৭৭৩—১৮৫০] ফৰাছী বিপ্লৱৰ কালত স্নুইজাৰ-লেণ্ডলৈ পলাই গৈছিল আৰু ছদ্ম নাম লৈ গণিতৰ শিক্ষকতা কৰিছিল।
৩. অষ্ট্ৰেলিয়াৰ কোৱালা প্ৰাণী।
৪. কায়ৰ'ৰ ওচৰত থকা চিয়পৰ বিৰাট পিৰামিড।
৫. জাৰ্মানিৰ ল্যুবেকস্থিত খ্ৰিস্টিয়ান। ফ্ৰিডৰিখ্ হেইন্‌কেন।
৬. কেৰোলিনাৰ সাগৰতীৰস্থ ভেনাচ ফ্লাই ট্ৰেপ। ইয়াৰ পাখৰৰ মাজত কেনেবাকৈ আহি পৰা সৰুসুৰা প্ৰাণী আৰু পলাই সাৰিব নোৱাৰে।
৭. পলুৰ দেহৰ বাৰ হাজাৰ গুণ, যাৰ আকৃতি তিনি ইঞ্চিতকৈও কম।
৮. ক্ৰেমলিনত। ১৯৮ ওজনৰ ১৯ ফুট ওখ ঘন্টা। কিন্তু ইয়াক কেতিয়াও ওলমোৱা নাই বা বজোৱা নাই।
৯. শেন। ১৫০ বছৰলৈকো জীয়ে।
১০. ৪০,০০০,০০০ ডিগ্ৰি ফাঃ।

সাহিত্য-পুৰাণ

১. সৌতি মুনি।
২. নৈমিষাৰণ্যৰ সৌনকা মুনিৰ আশ্ৰমত।
৩. সৌনকা মুনিয়ে পতা যজ্ঞৰ সমাপ্তি-অনুষ্ঠান উপলক্ষ্যে।
৪. বৈশম্পায়ন মুনিৰপৰা।
৫. এক লাখ শ্লোক।
৬. চৌবিছ সহস্ৰ শ্লোক।
৭. ওঠৰ দিন।
৮. মহাভাৰত। হোমাৰ-ৰচিত ইলিয়াড আৰু অ'ডিছি মিলাই যিমান ডাঙৰ, তাৰ আঠগুণ।
৯. গণেশ। ব্যাসে তেওঁক কোৱা মতে গণেশে লিখিছিল।
১০. কৃষ্ণদ্বৈপায়ন ব্যাস।

নেহৰু-উপাখ্যান-৫

১৯২০ চনত জৱহৰলালৰ মাতৃ আৰু পত্নী অসুস্থ হৈ পৰাত তেওঁ তেওঁলোকক মুছৌৰিলৈ লৈ গ'ল। নেহৰু যিখন হোটেলত আছিল, সেইখন হোটেলত কিছুমান আফগান মানুহো আছিল। বৃটিছ মেজিষ্ট্ৰেট এজনে জৱহৰলালৰ-পৰা এই মৰ্মে অংগীকাৰপত্ৰ বিচাৰিলে যে—জৱহৰলালে তাত থকা আফগান লোকসকলৰ সৈতে বাক্যালাপ নকৰিব।

কিন্তু জৱহৰলালে এনেকুৱা অংগীকাৰ-পত্ৰত চহী কৰিবলৈ মান্তি নহ'ল আৰু তাৰ ফলত তেওঁক দেৰাদুন জিলাৰপৰা বহিষ্কাৰ কৰা হ'ল। মাতৃক আৰু পত্নীকো হোটেলত এৰি থৈ তেওঁ এলাহাবাদলৈ গ'ল। তাত এদিন জৱহৰলালে এক বিৰাট কৃষক সমদল দেখা পালে।

এই কৃষকইত প্ৰতাপগড়ৰপৰ ঢপলিয়াই আহিছিল এই নগৰৰ অধিবাসীসকলক তেওঁলোকৰ দুখ-দুৰ্দশাৰ কথা বুজাই ক'বলৈ। জৱহৰলাল যি মুহূৰ্তত তেওঁ-লোকৰ সন্মুখীন হ'ল, তেওঁলোকে তেওঁলোকৰ আলৈ-আহুকাল নিজ চকুৰে চাই আহিবলৈ জৱহৰলালক তেওঁলোকৰ গাঁৱলৈ যাবলৈ ক'লে।

জীৱনত প্ৰথম বাৰৰ বাবে জৱহৰলাল গাঁৱলৈ গ'ল, আৰু গাঁৱৰ বাইজৰ অপৰিসীম দুৰ্দশা আৰু শোষণৰ প্ৰত্যক্ষ চিত্ৰ দেখা পাই মৰ্মাহত হ'ল। গাঁৱৰ সাধাৰণ কৃষকে উৎপাদিত কৰা প্ৰায় সকলো বস্তুৱেই তালুকদাৰ আৰু সৰুসুৰা জমিদাৰইঁতে নানান ছল চন্দত গাঁৱৰ কৃষকৰপৰা কাঢ়ি লৈছিল।

১৯২১ চনৰ জানুৱাৰি মাহত ৰায় বেৰেলিৰ কৃষক নেতৃবৃন্দক গ্ৰেপ্তাৰ কৰা হ'ল। হাজাৰ-বিজাৰ কৃষক ঢপলিয়াই আহিল কৃষক নেতৃবৃন্দক মুক্ত কৰিবলৈ। জৱহৰলালো ৰায়বেৰেলিলৈ আগ বাঢ়ি গৈ থাকিল। কিন্তু বৃটিছ পুলিছে তেওঁক ৰায়বেৰেলি চহৰলৈ যোৱাৰ দলং এখনৰ ওপৰত আগভেটি ধৰিলে।

জৱহৰলালক পুলিছে ৰায় বেৰেলিলৈ যাবলৈ দিয়াহেঁতেন, তেওঁ কৃষকসকলক শান্তভাৱে গুচি যাবলৈ নিৰ্দেশ দিব পাৰিলেহেঁতেন। কিন্তু পুলিছে তেওঁক যাবলৈ বাধা দিয়াত কৃষক-জনতা অতিপাত উত্তেজিত হৈ পৰিল আৰু তাৰ ফলস্বৰূপে পুলিছে গুলীয়াই অসংখ্য মানুহক হত্যা কৰিলে।

এই ঘটনাৰ ফলস্বৰূপে এজন তালুকদাৰৰ ঘৰ কৃষকসকলে লুট কৰিলে। প্ৰকৃত ঘটনা হ'ল এয়ে যে—কিছুমান শত্ৰুৱে এই কথা কৃষকসকলক কৈছিল যে—গান্ধীজিয়ে কৃষকসকলক তালুকদাৰইতৰ ঘৰ লুট কৰিবলৈ কৈছে। এই ৰটনাৰ ফলত সৰল কৃষকসকলে ৰটনাকে ঘটনা বুলি ভাবি গান্ধীজিৰ নামতে এই লুট-পাত চলালে।

এই বাতৰি পাই জৱহৰলাল হতাশ আৰু ক্ৰুদ্ধ হৈ উঠিল। এনেবোৰ কাৰ্য্যই কংগ্ৰেছৰ ভাবমূৰ্তি বিনষ্ট কৰিব। তেওঁ সেই গাঁৱলৈ ঢপলিয়াই গ'ল। অতি কম সময়ত হাজাৰ হাজাৰ মানুহ ঢপলিয়াই আহিল তেওঁৰ ভাষণ শুনিবলৈ।

জৱহৰলালে জনতাক ক'লে যে তেওঁলোকে যি কাম কৰিলে—সেই কাম অতি লাজলগা কাম। তেওঁ এই লজ্জাজনক কাম অৰ্থাৎ তালুকদাৰৰ ঘৰ লুট কৰা সকলক হাত দাঙিবলৈ ক'লে। আচৰিত কথা, তাত পুলিছ বিষয়াসকল উপস্থিত থকা সত্বেও জৱহৰৰ কথাত চৌবিছজন মানুহে হাত দাঙিলে।

আৰু তাৰ ফলত এই সকল মানুহক, আৰু লগতে তেওঁলোকৰ আত্মীয় বন্ধু-বান্ধৱসকলকো পুলিচে গ্ৰেপ্তাৰ কৰিলে। এই গ্ৰেপ্তাৰৰ সংখ্যা আছিল প্ৰায় এহেজাৰ। এবছৰ ধৰি এওঁলোকৰ বিৰুদ্ধে বিচাৰ চলিল আৰু অভিযুক্ত-সকলক দীৰ্ঘম্যাদী কাৰাদণ্ড দিয়া হ'ল।
পাছত—পুলিচৰ আগত এইসকল সৰল গাঁৱলীয়া ৰাইজৰ চিনাকি প্ৰকাশ কৰোৱাৰ বাবে জৱহৰলালে অনুতাপ প্ৰকাশ কৰিছিল। কিন্তু এই ঘটনাৰ এটি উজ্জ্বল দিশো আছিল। এই ঘটনাই এই কথালৈ আঙুলিয়াই দিছিল যে কৃষকসকল কিমান সৎ আৰু সাহসী।
যি কি নহওক, এনেবোৰ সংঘবদ্ধ সভা-সমদল কৰাৰ হেতুকে বৃটিছ চৰকাৰে কিছুমান নতুন আইন প্ৰৱৰ্তন কৰিবলৈ বাধ্য হৈছিল। আগৰ দিনত জমিদাৰ-ইতে তেওঁলোকৰ ইচ্ছামতে খেদি দিয়া কৃষকক এতিয়া এনেবোৰ নতুন আইনৰ ফলত আৰু আগৰ দৰে ইচ্ছামতে খেদিব নোৱৰা হ'ল। [আগলৈ

জীয়ন-মন্ত্ৰ

বাৰমাহে তেৰবেমাৰ হোৱা একো কাম-বন নজনা বিছ বছৰীয়া সূৰ্য্যও এদিন বিয়াৰ লায়ক হৈ উঠিল। দেউতাকো ঢুকাল তাৰ। যিখিনি ধন দেউতাকে এৰি থৈ গৈছিল, তাৰে টানিমানি ছমাহ-মান চলি থাকিব পৰা হ'ল।

মাকে সূৰ্য্যক প্ৰতিদিনেই খোৱাৰ পৰত এবাৰকৈ কৈছিল, "ভনীয়েৰৰ কাৰণে দৰা এটা চা। তোৰ নিচিনা সাতোটা বাঘে খাই শেষ কৰিব নোৱৰা এটা থাকোঁতেওনো তাই বিয়া নোহোৱাকৈ থাকিবনে? মই জীয়াই থাকোঁতেই তাইক পাৰ কৰ। নহ'লে পাছত তোৰেই বিপদ হ'ব।"

নিতৌ এনেবোৰ কথা শুনি শুনি আমনি পাই এদিন মাজনিশা ঘৰৰপৰা ওলাই পোনে পোনেই সূৰ্য্য এক অটব্য অৰণ্যলৈ সোমালগৈ।

অৰণ্যৰ সোঁমাজেদি গৈ থাকোঁতে হঠাৎ কোনোবাই এই কথা কোৱা সূৰ্য্যৰ কাণত পৰিল: "তুমি কোন? নিশ্চয় তুমি কোনোবা দুখীয়া মানুহ। কিন্তু— ইমান সাহস তোমাৰ হ'লনো কেনেকৈ?" এজোপা বিৰাট গছৰ আঁৰৰপৰা জংলী ভূতুনী এজনীয়ে সূৰ্য্যক ক'লে আৰু সূৰ্য্যয়ো ভূতুনীজনীক তাৰ অদৃষ্ট তথা অৱস্থাৰ কথা সবিস্তাৰে বিবৰিলে।

ভূতুনীয়ে সূৰ্য্যৰ দুখৰ কথাত দুখ পাই ক'লে, "ইমান কষ্টৰ মাজেদিও তুমি কেনেকৈনো জীয়াই আছা?"

"মই কি কৰোঁ কোৱাচোন? আত্মঘাতী হওঁনে?" সূৰ্য্যই সুধিলে।

নঈমা ৰেহমান

"তুমি আচলতে অতি ভাগ্যৱান মানুহ। ইয়াত মৰিশালিৰ ওপৰত কুঁৱা এটা আছে। মোৰ লগে লগে আহি থাকা, তোমাক কুঁৱাটো দেখুৱাই দিম, জঁপিয়াই পৰিবা।" এই বুলি কৈ ভূতুনীয়ে সূৰ্য্যক লগত লৈ খোজ ল'লে।

কুঁৱাৰ ওচৰ পোৱাৰ লগে লগে কুঁৱাৰ ভিতৰৰপৰা এটা বুঢ়া ভূত ওলাই আহিল আৰু সি ক'লে. "এনে দুপৰ নিশা ইয়ালৈ আহিলা কিয়?"

সূৰ্য্যই বুঢ়া ভূতটোকো সকলো কথা সবিস্তাৰে বুজাই ক'লে।

কুঁৱাৰ বুঢ়া ভূতটোৱে সূৰ্য্যক ক'লে, "ঠিক আছে, তুমি মোৰ লগত এঠাইলৈ ব'লা। তাত যি কথা-কাণ্ড ঘটি আছে তালৈ মন কৰা। তাৰ পাছত তুমি নিজে নিজেই ঠিক কৰা যে কি কৰিবা, ক'ত কেনেকৈ জঁাপ দিবানে নিদিবা। মই আগৰেপৰাই তোমাক একো নকওঁ।"

ভূত বুঢ়াই সূৰ্য্যক এটা কবৰস্থানলৈ লৈ গ'ল। এটা কবৰৰ ওচৰত বহি কিছুমান ভূতে বহুতো কিবাকিবি কৈ আছিল। বুঢ়া ভূতটোৱে সূৰ্য্যক আঁৰত বহুৱাই থৈ নিজেৰ সেই ভূতবিলাকৰ মাজত বহিলগৈ।

অলপ পাছত ভূতবিলাকে জোৰে জোৰে হাত চাপৰি বজালে।

সেই ভূতবিলাকৰ বৰমূৰীয়াটোৱে থিয় হৈ ক'লে, "মোৰ ভূত-বন্ধুসকল! এই মাহত তোমালোকে কি কি বিচিত্ৰ কাম কৰিছা আৰু কি কি বস্তু গোটাইছা সেইবোৰ কোৱা আৰু প্ৰদৰ্শন কৰা। এটা কথা মনত ৰাখিবা—আটাইতকৈ বিচিত্ৰ বস্তু প্ৰদৰ্শনকাৰীক পুৰস্কাৰ দিয়া হ'ব।"

লগে লগে এটা ভূতে খালী হৈ থকা পাচি এটা উলিয়াই আনি পাচিটোত সৌকাৰে কোবাই কৈ থাকিল, "ফল লাগে—পাচলি লাগে।"

নিমিষতে পাচিটো ফল-পাচলিৰে ভৰি পৰিল।



ভূতবিলাকে কৈ উঠিল, "বঢ়িয়া! ওস্তাদ! বঢ়িয়া খেল!"

আঁৰৰপৰা এই দৃশ্য দেখি সূৰ্য্যই ভাবিলে যে এনেকুৱা পাচি এটা পোৱা হ'লে তাক আৰু একো নালাগে।

আন এটা ভূতে কবৰ এটাৰ ওপৰত বিৰাট মাটিৰ মঠীয়া এটা থৈ এডাল বেতেৰে কোবাই কোবাই কৈ থাকিল, "সোৱাদ সোৱাদ খোৱা বস্তু—পিঠা-পনা লাগে।"

আৰু লগে লগে মঠীয়াটো পিঠা-পনাৰে ভৰি পৰিল।

সূৰ্য্যই ভাবিলে: পাচিতকৈ মঠীয়াটো আৰু ভাল।

অন্য ভূত এটাই কবৰৰ ওপৰত বিৰাট চৰু এটা থৈ ক'লে, "গাখীৰ লাগে—গাখীৰ!" লগে লগে চৰুটো গাখীৰেৰে পূৰ্ণ হৈ গ'ল।

সূৰ্য্যই ভাবি থাকিল: চৰু কিজানি মঠীয়াতকৈও ভাল। ইমান গাখীৰ নিতৌ বেচিব পৰা হ'লে মই নিশ্চয় ধইনাইদি কোঁচাব পাৰিলোহেঁতেন।

ভূতবিলাকৰ ৰবমূৰীয়াই থিয় হৈ ক'লে, "অহা আউসীৰ নিশা আমি পুনৰ লগ লাগিম। সিমান দিনলৈ এই পাচি মঠীয়া আৰু চৰুটো ইয়াত লুকাই থৈ দিয়া।" তাৰ পাছত ভূতবিলাক তাৰপৰা দলে-বলে গুচি গ'ল।

ভূতবিলাক গুচি যোৱাৰ পাছত সূৰ্য্যই বস্তু তিনিটা উলিয়াই চালে। সৌকা-ডালো উলিয়াই ল'লে। কিন্তু—সেইবোৰ যে কেনেকৈ ইয়াৰপৰা লৈ যাব সেই কথা ভাবি উলিয়াব নোৱাৰিলে।

এনে সময়ত গছ এজোপাৰ তলত মৰাপাটৰ বিৰাট থৈলা এটা দেখা পাই, বস্তু তিনিটা-থৈলাত ভৰাই কান্ধত উঠাইৰ লৈ যাবলৈ চেষ্টা কৰাত হতবাক হৈ পৰিল। চকুৰ পচাৰতে থৈলাটো নোহোৱা হ'ল। ক'ত কেনেকৈ মিলাই গ'ল যে—

একো ঠাইৰ কৰিব নোৱাৰিলে।

আৰু ঠিক তেতিয়া সেই বুঢ়া ভূতটোৱে সূৰ্য্যক ক'লেহি, "ইয়াত যি ঘটনাবোৰ ঘটিল—দেখিলা, আৰু দেখিলোঁ। তোমাক যেতিয়া দেখা পাইছিলোঁ, তেতিয়া তুমি আছিলা এজন হতাশ মানুহ। তোমাক সেই হতাশাৰপৰা মুক্ত কৰিবলৈহে ইয়ালৈ আহিছিলোঁ। তোমাৰ মাজত মূৰ দাঙি উঠা আত্মঘাতী হোৱাৰ ইচ্ছাক অৱদমিত কৰাটোৱেই আছিল মোৰ ঘাই উদ্দেশ্য। ইয়ালৈ অহাৰ পাছত তোমাৰ মনৰপৰা হতাশা গুচিল; কিন্তু তোমাৰ মনত অতিৰিক্ত আশা জাগি উঠিল। আৰু সেই বাবেই তুমি একেলগে তিনিওটা বস্তু থৈলাত ভৰাই লৈ যাবলৈ ধৰিলা, আৰু তাৰ ফলত এটাও নোপোৱা হ'লা।"

"ঠিক। পিছে—এতিয়া মই কি কৰোঁ?" সূৰ্য্যই চিন্তাগ্ৰস্তভাৱে সুধিলে।

"যিজন মানুহৰ মাজত প্ৰতিজ্ঞাবদ্ধতা আছে, সেইজন মানুহে সকলো কামেই কৰিব পাৰে; তুমি মন কৰিলে ফল-পাচলিৰ খেতি-বাতি কৰিব নোৱাৰানে কি? নিশ্চয় পাৰা। তুমি পিঠা-পনা বনাব নোৱাৰিবানে? নিশ্চয় পাৰিবা। গাই-ম'হ আদি পুহি গাখীৰ বেচিব নোৱাৰা বুলি তুমি চিঞৰি ক'লেও মোৰ পক্ষে বিশ্বাস কৰা টান। নিশ্চয় গাই-ম'হ বহুতৰ দৰে তুমি পুহিব পাৰিবা। মন কৰিলে যে ছন কৰিব পাৰি—সেই কথা কোনেনো নাজানে? আৰু—সকলোৱেই যদি জানে — তুমিনো নাজানিবা কেলেই? আত্মঘাতী হোৱাতকৈ আত্ম-উন্নতিৰ চেষ্টা কৰাটো ঢেৰ ডাঙৰ আৰু মহৎ কাম। এয়ে হ'ল জীৱনৰ জীয়ন-মন্ত্ৰ।" এই বুলি কৈ, বুঢ়াভূত নিমিষতে নোহোৱা হ'ল।

আৰু সূৰ্য্যই কাম কৰি জীয়াই থকাৰ প্ৰতিজ্ঞাৰে সূৰ্য্যৰ দৰেই উজলি উঠিল।



২১

কৃষ্ণ
আৰু লগতে ইন্দ্ৰ
শচীদেৱী আৰু সত্যভামাক
লগত লৈ অদিতিক চাবলৈ গ'ল।
প্ৰতিজনেই অদিতিক প্ৰণাম কৰিলে। ইন্দ্ৰই
অদিতিৰ কুণ্ডল ওভোতাই দিলে আৰু নৰকাসুৰৰ হত্যাকাৰী
কৃষ্ণৰ অমিত পৰাক্ৰমৰ কথা বখানিলে। অদিতিয়ে কৃষ্ণলৈ সহস্ৰ ধন্যবাদ
জ্ঞাপন কৰি ক'লে, "হে কৃষ্ণ! তোমাৰ তুলনা তুমিয়েই, আন নাই। দেৱৰাজ
ইন্দ্ৰই দেৱতাসকলক ৰক্ষা কৰাৰ দৰে তুমিও ৰক্ষা কৰি থাকিবা। তোমাক
পৰাজিত কৰিব পৰা ত্ৰিজগতত কোনো নাই। সত্যভামাৰ তুলনাও মৰ্ত্যভূমিত
বিচাৰি পোৱা নাযাব। তুমি যিমানদিনলৈ পৃথিৱীত থাকিবা,
সিমানদিনলৈ সত্যভামাও চিৰনবীনা হৈ থাকিব।"
আশীৰ্বাদৰ ভংগীৰে অদিতিয়ে ক'লে।
তাৰ পাছত গৰুড়ৰ পিঠিত
উঠি সত্যভামা নন্দন
কাননলৈ গ'ল।

নন্দন কাননত অসংখ্য কল্পবৃক্ষ আছিল। গছৰপৰা ওলমি থকা লতাৰ দোলনত দেৱ-কন্যাসকল ছুলি আছিল। এই কল্পবৃক্ষ সমূহৰ মাজতে কৃষ্ণই অনিন্দ্যসুন্দৰ ৰূপ-মনোহৰ পাৰিজাত বৃক্ষ দেখা পালে।

পাৰিজাত হ'ল অতি পৱিত্ৰ পুষ্প। শচীদেৱীৰ পাৰিজাত পুষ্পলৈ ইমান যে অনুৰাগ! পাৰিজাত বৃক্ষৰ ওচৰ চপা-সকলো জাতিস্মৰতা অৰ্থাৎ পূৰ্বজন্মৰ কথা ক'ব পৰা অৱস্থা প্ৰাপ্ত হৈছিল।

পাৰিজাত বৃক্ষৰ কায চাপি যোৱাৰ লগে লগেই সত্যভামাই বুজি পালে যে পূৰ্বজনমত তেওঁ কি আছিল। সত্যভামাই এই পাৰিজাত বৃক্ষ নিজাকৈ পোৱাৰ বাবে কৃষ্ণক খাটিলে।

সত্যভামাৰ অনুৰোধ শুনাৰ লগে লগে কৃষ্ণই তেওঁৰ আঙুলিৰে পাৰিজাত বৃক্ষ উভালি লৈ গৰুড়ৰ পিঠিত উঠি ৰাওনা হ'ল; কিন্তু নন্দন কাননৰ প্ৰহৰীসকলে কৃষ্ণক আগভেটি ধৰিলে।

কৃষ্ণই প্ৰহৰীহঁতলৈ বাণ এৰিলে। যুদ্ধ আৰম্ভ হ'ল। আৰু অনতিপলমে এই যুদ্ধৰ কথা ইন্দ্ৰৰ কৰ্ণগোচৰ হ'ল।

কৃষ্ণ যে তিনিওলোকৰে ৰক্ষক, আৰু আৱশ্যক হ'লে যে কৃষ্ণই পাৰিজাত বৃক্ষ লৈ যাব পাৰে, ইন্দ্ৰই সেই কথা জানিছিল। জানিছিলা যে—কৃষ্ণক কোনো কামতে কোনেও বাধ দিব নোৱাৰে। কিন্তু তথাপি—নীতিগতভাৱেই ইন্দ্ৰ যুদ্ধক্ষেত্ৰলৈ গ'ল আৰু কৃষ্ণৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিলে; কিয়নো—নন্দনকাননৰ মূল ৰক্ষক আছিল স্বয়ং ইন্দ্ৰ।

ইন্দ্ৰৰ সৈতে কৃষ্ণৰ যুদ্ধ লাগি পৰিল। ইন্দ্ৰই প্ৰথমেই বজ্ৰায়ুধ নিক্ষেপ কৰাত কৃষ্ণই বজ্ৰায়ুধ বিনষ্ট কৰি পেলালে। তাৰ পাছত ইন্দ্ৰই পৃথিৱীলৈ পাৰিজাত বৃক্ষক লৈ যোৱাৰ অনুমতি প্ৰদান কৰি উভতি গ'ল। কৃষ্ণয়ো তেতিয়াই দ্বাৰকালৈ বুলি ৰাওনা কৰিলে।

দ্বাৰকা পায়েই কৃষ্ণই পাঞ্চজন্য বজালে, আৰু মুহূৰ্ত্ততে দ্বাৰকাৰ অধিবাসীসকল ঢপলিয়াই আহিল। গৰুড়ৰ পিঠিৰপৰা নামি আহি কৃষ্ণই ডাঙৰসকলক প্ৰণাম কৰিলে।

প্ৰদ্যুম্নই পাৰিজাত বৃক্ষক সযতনে ৰক্ষা কৰিলে। পূৰ্বজন্মৰ কথা সোঁৱৰাই দিব পৰা এই বৃক্ষৰ মাহাত্ম্যলৈ লক্ষ্য কৰি সকলোটি অবাক হ'ল। পাৰিজাত বৃক্ষটিক এক মনমোহা ঠাইত প্ৰোথিত কৰা হ'ল।

নৰকাসুৰে যিসকল গাভৰুক বলপূৰ্বক ধৰি লৈ গৈছিল, কৃষ্ণই তেওঁলোকক বিবাহ কৰালে।

এইবোৰ ঘটনাৰ অন্তত কৃষ্ণই যিবোৰ দ্ৰব্য-সামগ্ৰী নৰকাসুৰক বধ কৰি হস্তগত কৰিছিল, সেইবোৰ কোষাগাৰত ৰখাৰ ব্যৱস্থা কৰিলে।

পাৰিজাত ফুল মূৰত গুজি সত্যভামাই সদায় সাজ-কাচ কৰিছিল। সত্যভামাই তেওঁৰ সতিনীয়েকসকলকো এই ফুলেৰে সজাইছিল।

কিন্তু শচীদেৱীৰ খোঁপাত এই ফুল নথকা বাবে ইন্দ্ৰৰ আক্ষেপ হৈছিল।

*

এবাৰ দুৰ্যোধনে হস্তিনাপুৰত এখন যজ্ঞ পাতিছিল আৰু যজ্ঞখন সুন্দৰভাৱে সমাপ্ত হৈছিল। এই যজ্ঞলৈ নিমন্ত্ৰিতসকলৰ মাজত বহুতেই কৃষ্ণৰ সৈতে সাক্ষাৎ কৰাৰ বাসনা প্ৰকাশ কৰিছিল আৰু কৃষ্ণয়ো সাদৰে তেওঁলোকলৈ আহ্বান জনাইছিল। ধৃতৰাষ্ট্ৰৰ এশ পুত্ৰই ওঠৰ অক্ষৌহিনী সামন্ত-সৈন্যৰে সৈতে সদলবলে ৰাওনা হ'ল।

বলৰাম, সাত্যকি আৰু প্ৰদ্যুম্ন প্ৰমুখক লগত লৈ নিমন্ত্ৰিতসকলক আথেবেথে আদৰি আনিবলৈ কৃষ্ণ আগ বাঢ়ি গৈ থাকিল।

*

এবাৰ অৰ্জুনে ধৰ্মৰাজ যুধিষ্ঠিৰৰ অনুমতি গ্ৰহণ কৰি কৃষ্ণৰ সৈতে সাক্ষাৎ কৰিবলৈ দ্বাৰকালৈ গৈ ভালেমান দিনলৈ দ্বাৰকাতে থাকিল। তেতিয়া কৃষ্ণই যজ্ঞ



এখন পাতিছিল। যজ্ঞ অনুষ্ঠিত হৈ থকা সময়ত এজন দৰিদ্ৰ ব্ৰাহ্মণে কৃষ্ণক ক'লেহি, "মোৰ বিৰাট বিপদ সমুপস্থিত। মোৰ পত্নীয়ে এটি শিশুসন্তান প্ৰসৱ কৰাৰ পাছ মুহূৰ্ততে শিশুটিক কোনোবাই চুৰ কৰি নিয়ে। এনেকৈ, উপৰ্য্যুপৰি তিনি-বাৰলৈ এনে বিপদজনক ঘটনা ঘটিল, তিনিটি শিশুসন্তান চুৰি হ'ল। এতিয়া মোৰ পত্নী পুনৰ গৰ্ভৱতী অৱস্থাত আছে। মোৰ আশংকা, এইবাৰো প্ৰসৱ হোৱাৰ লগে লগেই কোনোবাই নিশ্চয় চুৰ কৰিব। যদি সদায় আমাৰ সন্তান চুৰ হৈ যায়, তেনেহ'লে আমিনো কেনেকৈ প্ৰাণ-ধাৰণ কৰিম? সেই দেখিহে আপোনাৰ কাষ চাপিছোঁ, দয়া কৰি আমাৰ সন্তানক ৰক্ষা কৰক।" এই বুলি কৈয়েই ব্ৰাহ্মণ কৃষ্ণৰ চৰণত দীঘল দি পৰিল।

কৃষ্ণই সেই ব্ৰাহ্মণগৰাকীক ক'লে, "কোনোবাই মোৰপৰা সহায় খুজিলে সহায় কৰাটো মোৰ কৰ্তব্য বুলি ভাবোঁ। কিন্তু মই যিহেতু এতিয়া যজ্ঞত ব্যাপৃত হৈ আছোঁ, সিহেতুকে মই যে এতিয়াই কেনেকৈ আপোনালৈ যথাযথ সহায় আগ বঢ়াম, ভাবি উলিয়াব পৰানাই।

কৃষ্ণৰ কথা শুনি অৰ্জুনে ক'লে, "ইমান দুশ্চিন্তা কৰিবলগীয়া কি আছে? নিৰ্দেশ পালে মই সহায় কৰিবলৈ আগুৱাই যাব পাৰোঁ! এই ব্ৰাহ্মণক যেনেকৈ লাগে তেনেকৈ সহায় কৰাৰ বাবে মই সাজু। তেওঁৰ এইকণ উপকাৰ কৰিব পাৰোঁ যদি—তেৰোঁ ভাল পাব, তুমিও ভালেই পাবা।"

কৃষ্ণই হাঁহি মাৰি ক'লে, "কিন্তু অৰ্জুন, এই অতি দুৰূহ কৰ্মটি তোমাৰ পক্ষে সম্ভৱ হ'বনে?"

কৃষ্ণৰ কথাত অৰ্জুনে অপমান পোৱা যেন হ'ল। অৰ্জুন তলমূৰ হ'ল। অৰ্জুনে প্ৰত্যুত্তৰো নকৰিলে।

অৰ্জুনৰ বিব্ৰত অৱস্থালৈ লক্ষ্য কৰি

কৃষ্ণই অৰ্জুনক ক'লে, "অৰ্জুন, মই কিজানি কথাষাৰ ঠিকমতে ক'ব পৰা নাছিলোঁ। মোৰ বক্তব্য হ'ল যে—তুমি এনে এক গুৰুত্বপূৰ্ণ কামত অকলশৰে নগৈ বলৰাম, প্ৰদ্যুম্ন আদিকো লগত লৈ গ'লে কিজানি ভাল হ'ব। আৰু—সাত্যকিকো তোমাৰ লগত লৈ যাবা।"

তাৰ পাছত অৰ্জুনে বলৰাম আৰু অন্যান্যকো লগত লৈ সেই বিপদগ্ৰস্ত ডাল-দৰিদ্ৰ ব্ৰাহ্মণৰ ঘৰ পালেগৈ।

অৰ্জুন আৰু বলৰাম, প্ৰদ্যুম্ন প্ৰমুখ যেতিয়া ব্ৰাহ্মণৰ ঘৰ পালেগৈ, তেতিয়া ব্ৰাহ্মণৰ ঘৰৰ আশে-কাষে শিয়ালৰ ৰাও উঠিল। তেতিয়া সাঁজ লাগি ভাগোঁ ভাগোঁ। হঠাৎ বিকট গৰ্জনৰে সৈতে এটা নেজলতৰা আকাশৰপৰা খহি মাটিত পৰিলহি। আৰু ঠিক সেই মুহূৰ্ততে ব্ৰাহ্মণ-পত্নীৰ প্ৰসৱবেদনা আৰম্ভ হ'ল।

ব্ৰাহ্মণে অৰ্জুনক ক'লেহি কথাটো আৰু অৰ্জুনে ব্ৰাহ্মণ-পত্নীৰ বাবে নিশ্ছিদ্ৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিলে। তেওঁলোকৰ প্ৰতিজনেই ধনু-তীৰ আৰু যাঠি হাতত লৈ যিকোনো শত্ৰুক ভেটিবলৈ সাজু হ'ল।

মাজ নিশা ব্ৰাহ্মণ-পত্নীয়ে সন্তান প্ৰসৱ কৰিলে। নৱজাত শিশুৰ কান্দোনৰ শব্দ উঠিল। আৰু পাছমুহূৰ্ততে চেৰাশালিত থকা তিৰোতাসকলে আৰ্তনাদ কৰি উঠিল, "গ'লগৈ—গ'লগৈ! এইবাৰো গ'ল!"

মুহূৰ্তমানৰ পাছত সেই শিশুৰ কান্দোন আকাশৰপৰা ধ্বনিত হ'ল।

আৰু অৰ্জুনে নিমিষতে আকাশলৈ টোঁৱাই বাণ মাৰি পঠিয়ালে। অৰ্জুনে কিন্তু আকাশৰ ক'তো কাকো দেখা নাপালে বা তেওঁৰ বাণে যে কাৰোবাক আহত বা নিহত কৰিলে তাৰো কোনো চিন-ছাব নাপালে। অৰ্জুন আৰু আন-সকলো অসহায় অৱস্থাত থিয় হৈ থাকিল।

ক'ৰপৰা কি হৈছে—কোনেও একোৰেই বুজি নাপালে। কোনে যে শিশুটিক লৈ

গ'ল তাকো ঠাৱৰ কৰিব নোৱাৰিলে।

অৰ্জুনক নানাজনে নানাভাৱে দোষাৰোপ কৰিলে। ব্ৰাহ্মণে খঙতে একো নাই হৈ অৰ্জুনক ক'লে, "মই এই নিৰাপত্তাৰ দায়িত্ব কৃষ্ণক গ্ৰহণ কৰিবলৈ কৈছিলোঁ। কিন্তু আপুনি বীৰৰ ওপৰত বীৰ গজি, নিজেই দায়িত্ব গ্ৰহণ কৰি মোৰ এই সৰ্বনাশ কৰিলে। আপোনাৰ বীৰত্ব মূল্যহীন, অস্ত্ৰবোৰ ভোটা। যি কি নহওক, ইয়াত আপোনাৰ দৰে কাপুৰুষৰ আৰু প্ৰয়োজন নেদেখোঁ। আপুনি ইয়াৰপৰা গুচি যাওক।"

তাৰ পাছত ব্ৰাহ্মণ পুনৰ কৃষ্ণৰ ওচৰলৈ যাবলৈ ৰাওনা হ'ল। আৰু সেই ব্ৰাহ্মণৰ পিছে পিছে লজ্জিত-অপমানিত অসহায় অৰ্জুনো গৈ থাকিল।

ব্ৰাহ্মণৰপৰা সকলো কথা শুনাৰ পাছত সাশ্ৰুনেত্ৰ অৰ্জুনক কৃষ্ণই ক'লে, "ইমান দুঃখিত বা লজ্জিত হোৱাৰ কোনো হেতু নাই। সদ্যোজাত শিশু যেতিয়া আকাশলৈ উঠি গ'ল, তেতিয়া এইবোৰ ঘটনা নিশ্চয় ৰাতিৰ পৰতে ঘটিল। যি নহওক — এতিয়া মোৰে সৈতে ব'লা।" এই বুলি কৈ, ৰথত উঠি কৃষ্ণই ৰাওনা কৰিলে। অৰ্জুনকো কৃষ্ণই লগত ল'লে। গৈ গৈ—পাহাৰ-পৰ্বত পাৰ হৈ, তেওঁলোক সমুদ্ৰ পালেগৈ।

সমুদ্ৰই কৃষ্ণক সুধিলে, "হে কৃষ্ণ! কি লাগে আজ্ঞা কৰক।"

কৃষ্ণই ক'লে, "মোৰ ৰথ যাব পৰাকৈ বাট উলিয়াই দিব লাগে।"

সমুদ্ৰই ক'লে, "হে কৃষ্ণ! ময়ো তো আপোনাৰেই সৃষ্ট। আপুনিয়েই মোক সৃজিলে, আপোনাক বাট উলিয়াই দিয়াটো মোৰ গৌৰৱৰ কাৰণ।"

কৃষ্ণই ক'লে, "শুনা মই যি আছিলোঁ, সেয়ে হৈ আছোঁ। এই দুখীয়া ব্ৰাহ্মণ মানুহজনৰ কাৰণে বাট উলিয়াই দিব লাগে, পাছত সেই বাট নাথাকিলেও


Sankar

কোনো ক্ষতি নাই।"

সমুদ্ৰই সানন্দে বাট উলিয়াই দিলে। বাট উলিয়াই দিলে—জয়ন্ত, বৈজয়ন্ত, নীল, শ্বেত, ইন্দ্ৰকূট আৰু কৈলাস পৰ্বতে। যেনেৰ মাজেদি সূৰ্য্যই পৰিক্ৰমা কৰি যোৱাৰ দৰে কৃষ্ণয়ো ৰথ চলাই সুউচ্চ পৰ্বতবোৰ ভেদি গৈ আছিল। কৃষ্ণৰ পিছে পিছে গৈ আছিল অৰ্জুন। অকস্মাৎ দিগন্তলৈ অন্ধকাৰ চাপি আহিল, আৰু ইমান নিমজ নিশ্ছিদ্ৰ অন্ধকাৰৰ মাজেদি আগ বাঢ়িবলৈ সাহসী নহ'ল।

এই ঘটনালৈ মন কৰি কৃষ্ণই অৰ্জুনক নিৰ্ভয়ে আগুৰাবলৈ ক'লে।

বহু দূৰলৈকে আগুৰাই যোৱাৰ অন্তত অকস্মাৎ যেনিবা কৌটি সূৰ্য্যৰ আলোকেৰে দিঙ্মণ্ডল উদ্ভাসিত হৈ উঠিল।

আৰু সেই সমুজ্জ্বল আলোকৰ মাজেদি কৃষ্ণ ক'ৰবালৈ নোহোৱা হৈ গ'ল।

এই কথাত ব্ৰাহ্মণ, আৰু অৰ্জুনো অতিপাত ভীত হৈ উঠিল।

অৰ্জুনে নিজক নিজে কোৱাদি ক'লেঃ ইয়াত ইমান উজ্জ্বল আলোক কিয় হ'ল? আৰু আলোকৰ মাজত কৃষ্ণ কিয় অদৃশ্য হ'ল? এই ঘটনাৰ তাৎপৰ্য্য কি?

এই কথা ভাবি থাকোঁতেই সেই আলোকময় জগতৰ মাজৰপৰা অকস্মাৎ কৃষ্ণ ওলাই আহিল আৰু লগত লৈ আহিল ব্ৰাহ্মণৰ আগৰ তিনিটি আৰু সদ্যোজাত সেই শিশুপুত্ৰটিক।

এই ঘটনা চাই ব্ৰাহ্মণ, আৰু লগতে অৰ্জুনো হতচকিত হৈ পৰিল।

কৃষ্ণই পুনৰ ৰথ চলাই উভতি যাবলৈ ধৰিলে। উভতি যোৱাৰ আগতে কৃষ্ণই দৰিদ্ৰ ব্ৰাহ্মণক তেওঁৰ সন্তানইঁতক ওভোতাই দিয়াৰ উপৰিও প্ৰচুৰ পৰিমাণে ধন ৰত্ন উপহাৰ দিলে।

আৰু তাৰ পাছত কৃষ্ণই পুনৰ তেওঁৰ আৰব্ধ যজ্ঞত মনোনিবেশ কৰিলে। ○

ৰা পা ছ

পুলিন্দ ৰাজ্যৰ ৰজা আছিল পুৰন্দৰদেৱ। তেওঁৰ ৰাজসভাত চাৰিগৰাকী পণ্ডিত আছিল। একো একোজন একো একোটা বিষয়ত জ্ঞানী আছিল আৰু তেওঁলোকৰ কথা দেশ-বিদেশতো প্ৰচাৰিত হৈ পৰিছিল।

এবাৰ পণ্ডিতকেইজনে ৰজাৰপৰা শকত পৰিমাণৰ ধন বা উপহাৰ-পুৰস্কাৰ লাভ কৰাৰ মনেৰে ৰজাক ক'লেগৈ, "মহাৰাজ, আমি আপোনাৰ কোষ্ঠী বিচাৰ কৰি এক অতি দুঃখপ্ৰদ ঘটনা প্ৰত্যক্ষ কৰিলোঁ। আপোনাৰ হাত দুখন খহি পৰিব পাৰে।"

শুনি ৰজা দমি গ'ল। তেওঁ শুকান মাতেৰে সেপ ঢুকি ঢুকি সুধিলে, "তেনে-হ'লে—প্ৰতিকাৰ কি? এই বিপদৰপৰা কেনেকৈ উদ্ধাৰ লাভ কৰিম?"

"মহাৰাজ! বিপদ যে:নৈক আছে, উদ্ধাৰৰ উপায়ো নিশ্চয় আছে। আপুনি সোণৰ কুঠাৰেৰে গছৰ ঠাল কাটিব—যিমান সময়লৈ আপোনাৰ শক্তি থাকিব, সিমান সময়লৈকে কাটিয়েই থাকিব। আৰু তাৰ ফলত আপোনাৰ দুষ্টগ্ৰহবোৰে পলাই ফাট মাৰিব।" এগৰাকী পণ্ডিতে মহাৰাজক ক'লে।

ৰজাৰ আদেশমতে সোণৰ কুঠাৰ বনোৱা হ'ল; তাৰ পাছত—সেই সোণৰ কুঠাৰেৰে গছৰ ডাল কাটিবলৈ পণ্ডিত-কেইজনে ৰজাক ৰজাৰ উদ্যানলৈ লৈ গ'ল। পণ্ডিতকেইজনৰ নিৰ্দেশমতে ৰজাই উদ্যানৰ এজোপা গছৰ ডাল সোণৰ কুঠাৰেৰে কাটি থাকিল: কিন্তু ৰজাৰ এই কামত অভ্যাস নথকাহেতুকে হাতৰপৰা

শ্ৰীচন্দ্ৰ চঙ্গৰীয়া

সোণৰ কুঠাৰ উফৰি পৰিল।

সেই ঠাইত উদ্যানৰ নিচেই কাযতে সৰোবৰ এটা আছিল। পণ্ডিতকেইজনে সৰোবৰৰ পানীৰপৰা সোণৰ কুঠাৰখন উদ্ধাৰ কৰি আনিবলৈ সৰোবৰত নামিবলৈ যো-জা কৰি থাকোঁতে ধুমক'লা বৰণৰ শকত-আৱত মানুহ এটাই সৰোবৰৰ পানীৰপৰা সোণৰ কুঠাৰখন পাৰলৈ দলিয়াই দিলে।

মানুহটোক দেখি উচপ খাই উঠি এজন পণ্ডিতে তাক সুধিলে, "তুমি—তুমিনো বাৰু কে ন ?"

সেই মানুহটোৱে ক'লে, "মোৰ নাম —ৰাপাছ……ৰাপা।" এই বুলি কৈয়েই সি পানীত ডুব দিলে। কিন্তু ডুব দিয়াৰ আগতে ক'লে, "মই পুৰুষো নহওঁ, নাৰীও নহওঁ—মই ৰা—পাছ!"

ৰাপাছে পানীৰপৰা দলিয়াই দিয়া সোণৰ কুঠাৰখন লোৰ কুঠাৰলৈ ৰূপান্তৰিত হোৱাত ৰজা দস্তুৰমত অবাক হ'ল।

তাৰ পাছত—প্ৰাসাদলৈ উভতি গৈ ৰজাই পণ্ডিত আৰু মন্ত্ৰীসকললৈ আদেশ কৰাৰ ভংগীৰে ক'লে, "এই ৰাপাছ বোলাটো কোন — দুই-এদিনৰ ভিতৰত ভালকৈ অনুসন্ধান কৰি মোক ক'বলাগিব। মোৰ সোণৰ কুঠাৰ যেতিয়া লো-ৰ কুঠাৰ হ'ল, তেতিয়া—এই ৰাপাছে আমাৰ ৰাজ-কোষৰ সমস্ত সোণক লো কৰি দিয়াটো আচৰিত কথা নহ'ব। তাৰ ফলত—কেৱল মোৰেই নহয়, সমগ্ৰ দেশৰ বিৰাট ক্ষতি হ'ব। গতিকে—ৰাপাছৰ অনুসন্ধান নিশ্চয় কৰক আৰু মোক জনাওক।"

দুদিনৰ পাছত পণ্ডিত চাৰিজনে ৰজাক ক'লেহি, "মহাৰাজ, আমি দুদিন ধৰি বিভিন্ন গ্ৰন্থ অধ্যয়নৰ অন্তত এই কথাত সুনিশ্চিত হৈছোঁ যে—এই ৰাপাছ হ'ল এটা ৰাক্ষস। আৰু—ৰাপাছ ৰাক্ষসে জাদু জানে। সি হ'ল অতি নিষ্ঠুৰ ৰাক্ষস।"

তেতিয়া ৰজাই বিভিন্ন দেশৰপৰা

ডাঙৰ ডাঙৰ তান্ত্রিকক লৈ আহি প্রাসাদৰ চাৰিওফালে তান্ত্রিসকলক থ'লে আৰু ৰজাই ঘোষণা কৰিলে যে—ৰাপাছ ৰাক্ষসৰ হত্যাকাৰীক যথাযোগ্য পুৰস্কাৰ দিয়া হ'ব।

এই ঘোষণা শুনি ৰজাৰ ৰান্ধনি মানুহজনে ৰজাক ক'লেহি, "মহাৰাজ, আপুনি যদি মোক অভয় দিয়ে, তেনেহ'লে এই ৰাপাছৰাক্ষসৰ কথা আপোনাক ভাঙি-পাতি ক'ব পাৰোঁ। তাৰ বহুত গুপুত কথা মই জানো।"

"ৰাপাছ ৰাক্ষসৰ গুপুত কথা—তুমিনো কেনেকৈ জানিলা!" অবাক হৈ পৰা ৰজাই তেওঁৰ ৰান্ধনিক সুধিলে।

"মহাৰাজ, আমাৰ পাকঘৰ চাফা কৰিবলৈ যিজন মানুহ আছে, তাৰ নাম হ'ল ৰংগনাথ। মই তাক আপোনাৰ ওচৰত লৈ আহোঁগৈ।" ৰান্ধনিয়ে ক'লে।

ৰংগনাথক ৰান্ধনিয়ে ধৰি লৈ অহা-মাত্রেই ৰংগনাথ ৰজাৰ ভৰিত নীঘল দি পৰিল আৰু ভয়ৰ কোবত ঠিৰ ঠিৰকৈ কঁপিবলৈ ধৰিলে আৰু ক'লে, "ম-ম-মহাৰাজ! মোক খ—খক্—ক্ষমা কৰক!"

ৰজাই তাক ক'লে, "ক্ষমা যে কৰিম তোমাক—কিনো অপৰাধ কৰিছা তুমি?"

"মহাৰাজ! ময়েই সেই ৰাপাছ ৰাক্ষস!" ৰংগনাথে ৰজাক ক'লে।

"সোণৰ কুঠাৰখনক লো-ৰ কুঠাৰলৈ ৰূপান্তৰিত কৰা ৰাপাছ ৰাক্ষস—তুমি! কি কোৱা? তোমাৰ ইমান ক্ষমতা? তুমি বাৰু বলিয়ানে কি? কিহৰ কাৰণে তেন্তে এই কাম কৰিছিলা? এই কামেৰে কাৰ উপকাৰ হ'ল?" ৰজাই ৰক্ষসৰূপী ভক্তক ৰংগনাথক সুধিলে।

ৰংগনাথে তথা ৰাপা ৰাক্ষসে ৰজাক ক'লে, "মহাৰাজ, অনুগ্ৰহ কৰি মোৰ কথা শুনক। শুনাৰ অন্তত সকলো কথা আপোনাৰ ওচৰত ফটফটীয়া হ'ব।"

ৰংগনাথে কুঠাৰখন কান্ধৰ ওপৰত লৈ ৰজাৰ উদ্যানলৈ গ'ল। এজোপা গছৰ

ডালখন সৰোবৰৰপানী ছুইছিলগৈ। এই ডালখন আছিল শুকান ডাল। ৰংগনাথে এই ডালখন কাটি পেলালে আৰু কাটি থাকোঁতে ৰজাক সেইপোনে আহিবলৈ দেখা পালে। ৰজাক আহিব ধৰা দেখি ৰংগনাথ পাথৰৰ আঁৰত লুকাই থাকিল।

ৰজাই আহিয়েই সৰোবৰৰ পানীৰপৰা সোণৰ কুঠাৰখন উদ্ধাৰ কৰাৰ চেষ্টা কৰি থাকিল। স্বয়ং মহাৰাজক পানীলৈ নামিবলৈ ধৰা দেখি তেওঁৰ লগৰীয়াসকলো নামিল। এই ঘটনা দেখি পাথৰৰ আঁৰত লুকাই থকা ৰংগনাথে এখন লো-ৰ কুঠাৰ সৰোবৰৰ পানীলৈ দলি মাৰি দিলে আৰু তাৰ পাছত সপাৰিষদ ৰজা যিঠাইত আছিল, তাৰ বিপৰীত ফালে গুলালগৈ।

তিমানতে সকলো কথা-কাণ্ডৰ ৰহস্য ৰজাই বুজি পাই হো হো কৰে হাঁহি উঠি ক'লে, "ৰংগনাথ, ত্ৰেতাযুগৰ ৰাক্ষস ৰাপাছ যে তোমাৰ আচল নাম—সেই কথা মই বুজি পাইছোঁ। কিন্তু ৰংগনাথ, সোণৰ কুঠাৰখন লোহালৈ ৰূপান্তৰিত হোৱা নাই. সোণৰ কুঠাৰ বিচাৰিলেই পোৱা যাব। সোণ কেতিয়াও লো হ'ব নোৱাৰে। সোণৰ কুঠাৰখন নিশ্চয় কোনোবা আচল ৰাক্ষসে লৈ গ'ল। এই কুঠাৰখন উদ্ধাৰ কৰিবলৈ—লাগিলে—গোটেই সৰোবৰৰ পানী ঘোদালি চাব লাগিব।"

তিমানতে কোনোবাই সেই সোণৰ কুঠাৰখন ৰজাৰ পিছফালে থৈ গৈছিল।

এই কামটিও যে ৰংগনাথৰে কৌশলী হাতৰ কাম, সেই কথা উপলব্ধি কৰাত ৰজাৰ অলপো কষ্ট নহ'ল।

ৰংগনাথৰ এই অপূৰ্ব জাদু-কৌশলৰ পুৰস্কাৰস্বৰূপে ৰজাই তেওঁৰ ডিঙিৰ বহুমূল্য মুকুতাৰ হাৰ সোলোকাই আনি সেই ৰংগনাথৰ ডিঙিত নিজ হাতেৰে পিন্ধাই দিলে আৰু পাছত কুচক্ৰী পণ্ডিতহঁতক কঠোৰ শাস্তি দিলে। O



মাটিৰ তলৰ মাছ

কায়ৰ'ত গোহা নামৰ এজন মানুহ আছিল। হঠাৎ তেওঁৰ এদিন মন গ'ল খেতি-বাতিত ধৰাৰ। কিন্তু প্ৰকৃত খেতি-খোলা কৰাৰ আগতে তেওঁ ভাবিলে ঃ মোৰ ঘৰৰ এই পিছ-দুৱাৰৰ ওচৰত যিকণ মাটি আছে, তাতে ফুল পুলি কই চাওঁচোন কেনে হয়?

এবাৰ এগৰাকী ৰঈছ [ধনী] মানুহে গোহোক আন কাম এটাত লগ ধৰিবলৈ আহি গোহাৰ ফুলনি দেখা পাই তাক ক'লে, "ফুলনি কৰিছা ভালেই কৰিছা—। পিছে—ইয়াত কোনো নতুন ফুল নাই। মই কালিলৈ তোমাৰ ওচৰলৈ এবিধ বীজ পঠিয়াই দিম। সেইবোৰ মোৰ দামাদে [জোঁৱায়েক] বাগদাদৰপৰা মোলৈ পঠিয়াইছিল। মোৰ আক' ফুলনি-তুলনিৰ বৰ চখ নাই। ফুলৰ বীজখিনি মই যত্নেৰে থৈ দিছোঁ অৱশ্যে।"

পাছদিন সেই ৰঈছ মানুহজনৰ লগুৱা এটাই গোহাক ফুলৰ বীজখিনি আনি দিলে। গাহোই অতি মিহি বীজখিনিলৈ চাই সুধিলে, "এইগুটিখিনি কি ফুলৰনো?"

"সেই কথা আনকি আমাৰ মালিকেও নাজানে।" লগুৱাটোৱে ক'লে, "পিছে—ফুলনিৰ কামত পাকৈত মানুহে গুটি চোবাই কৈ দিব পাৰে যে কি ফুলৰ গুটি।"

গোহাই লগুৱাটোৰ কথা মতে গুটি অলপমান মুখ ভৰায়েই বুজি পালে যে ৰঈছ মানুহজনে তাৰ লগত মস্কৰা মাৰিছে। এইখিনি যে কোনো ফুলৰ গুটি নহয়, মাছৰ কণীহে, সেই কথা গোহাই বুজিলে।

পাছদিনা, বজাৰলৈ ওলাওঁতে বাটত ৰঈছ মানুহজনৰ লগত গোহাৰ দেখা-

'মিছৰদেশৰ সাধু'

দেখি। ৰঈছ মানুহছনে গোহাক সুধিলে, “গোহা,· তোমাৰ গুলাববোৰ ফুলিলনে ?”

“ওঁ ওঁ, ফুলিল তো— ? আৰু ফুলিল যে ফুলিল — একেবাৰে পাতো দেখা নোপোৰাকৈ ফুলিল।” গোহাই ক’লে।

“মই পঠিউৰা ফুলৰ বীজখিনি কি কৰিলা ? কলানে ?” ৰঈছ মানুহজনে গোহাক সুধিলে।

“নিশ্চয়’! পোৰাৰ দিনাই কলোঁ।” গোহাই ক’লে।

ৰঈছ মানুহজনে হাঁহি ৰখাই ক’লে, “সেইবোৰ কিন্তু পুতিলে পুলি হোৱাবিধৰ বীজ নহয়, দামাদে লিখি এই কথাটো জনাইছিল মোক।”

“এইবোৰ কথা নামানো। ঠিকঠাককৈ যত্ন কৰিলে, বীজ বা পুলিৰ প্ৰতি কৰণীয় কৰ্তব্যখিনি কৰিলে পুতিলেই পুলি হ’ব। ফুলো ফুলিব। আপুনি পঠোৱা বীজখিনিৰ দুটা কথাত লক্ষ্য ৰাখিব লাগিব। এটা হ’ল—সেই বীজৰপৰা ওলোৱা গছজোপা যাতে কোনেও দেখা নাপায় ; আৰু আন কথাটো হ’ল—এই ফুলৰ পুলিত ৰ’দ পৰিলে নহ’ব। মোৰ সঁচানে সঁচা নহয়— কালিলৈ আহি নিজ চকুৰে চাই যাব পাৰে।” গোহাই ক’লে।

শুনি, ৰঈছ মানুহজনৰ প্ৰায় মুখৰ মাত হৰোঁ হৰোঁ অৱস্থা। “ঠিক হ্যায়, আহিম কালিলে’—।” বুলি কৈ ৰঈছ মানুহজন কোবাকুবিকৈ গুচি গ’ল।

তেতিয়া গোহা এখন মাছৰ দোকানলৈ গ’ল, আৰু একেইবিধৰ সৰু মাছ কিছুমান কিনি লৈ আহিল। তাৰ পাছত গোহাই তাৰ পুতেকক ক’লে, “শুন, মাছখিনি এটা এটাকৈ এনেকৈ মাটিত পুতিবি, যাতে মাছৰ মূৰবিলাক বাহিলৈ ওলাই থাকে। তাৰ পাছত—একেবাৰে ৰ’দ নপৰাকৈ মাছখিনি ঢাকি থ’বি। মোৰ কথাৰ একদম ইফাল-সিফাল নহয় যেন চাবি। কামখিনি এতিয়াই কৰগৈ যা।”

পুতেকে বাপেকৰ নিৰ্দেশ আখৰে আখৰে পালন কৰিলে।

পাছদিনা ৰাতিপুৱা সেই ৰঙীছ মানুহজন আহিল. আৰু গোহাই তাৰ ফুলনিলৈ গৈ ঢাকনি গুচাই মাটিৰ তলত পুতি থোৱা মাছবোৰ দেখুৱালে।

মাটিৰ তলৰ মাছ! ৰঙীছ মানুহজনৰ মূৰ আচন্দ্ৰাই কৰি উঠিল কথাটো ভাবি। তেওঁৰ বঁতিয়াওঁ বঁতিয়াওঁ যেন লাগিল। তেওঁ এনে নাশ্ৰুত-নাভূত কাণ্ড চাই মুণ্ডটো প্ৰচণ্ড লাটুম যেন হৈ পৰিল।

গোহাই ক'লে, "এই যে দেখিছে—এই মাছফুলৰ পুলিবোৰ মাটিৰ বহু তলত আছে। এইবোৰ মাছ-পুলি কেতিয়াও মাটিৰ ওপৰলৈ মূৰ দাঙি নুঠিব।"

ঢেলুকা-ঢেলুক চকুৰে চাই ৰঙীছ মানুহজনে ক'লে, "এনেকুৱা গুটিৰপৰা গছ হ'ব, গছৰপৰা মাছ হ'ব—মই—অম্—মই এতিয়াও একো ঠা—ঠা—ঠাৱৰ কৰিব পৰা নাই। পিছে গু—গু—গুটিৰপৰা গছ আৰু গছৰপৰা মাছ তো সঁচে-কাটে সঁচা। নিজৰ চকুযুৰিকো কে—কে—কেনেকৈকৈনো অবিশ্বাস কৰোঁ?"

গোহাই ক'লে, "এই কামটো কিন্তু বৰ টান কাম নহয়, যদিও যত্নেৰে আৰু সাৱধানতাৰে কৰিব লাগে। মোৰ বিছহালিচামান মাটি থকাহেঁতেন—মাটিত যে কিমান আচৰিত আচৰিত আজব বস্তু পইদা কৰিব পাৰি—দেখুৱাই দিলোহেঁতেন।"

আৰু তাত নবৈ ৰঙীছ মানুহজন ঘৰলৈ উভতি গ'ল, আৰু উভতি গৈয়েই তেওঁ তেওঁৰ লগুৱাটোক ক'লে, "হেই, এই বস্তাটোত যিমানবোৰ মাছৰ কণী আছে—মাটি খান্দি ছটিয়াই দেচোন।"

ৰঙীছ মানুহজনৰ কাণ্ড চাই গাঁৱৰ ৰাইজে হা হা হো হোকৈ হাঁহি থাকিল আৰু কৈ থাকিল, "ধন লাছ ধন বাছ, ধনে বনায় গছৰ মাছ!"

কঁটীয়া কেৰুৱাল

সুপ্ৰাচীনকালত মালয়দেশৰ সাগৰতীৰত এজন বিক্ৰমশালী মহাযোদ্ধা আছিল।

এদিন সাগৰতীৰত ভ্ৰমি থাকোঁতে এক বিৰাট দেহধাৰী সাগৰৰ পানীৰ ওপৰেদি খোজ কাঢ়ি কাঢ়ি মহাযোদ্ধাৰ ওচৰলৈ আহি থিয় দিলে। এই বিৰাট-দেহীক যোদ্ধাই সুধিলে, "তুমি কোন? সমুদ্ৰ পাৰ হৈ ইয়ালৈ আহিছা কিয়?"

"মই মহাদ্বীপৰপৰা আহিছোঁ। আমাৰ ৰজাই এই দেশৰ এগৰাকী মহাযোদ্ধাৰ ওচৰলৈ এটি সম্বাদ প্ৰেৰণ কৰিছে।" বিৰাটদেহীয়ে ক'লে।

"সেই মহাযোদ্ধা এতিয়া চিকাৰলৈ ওলাইছে। তেওঁক কি ক'ব লাগিব— মোক কৈ যাব পাৰে। তেওঁ চিকাৰৰপৰা উভতি অহাৰ পাছত আপোনাৰ কথাখিনি তেওঁক ক'ম।" মহাযোদ্ধাই ক'লে।

"আমাৰ মহাৰাজে আপোনালোকৰ মহাযোদ্ধাক এই সম্বাদ প্ৰেৰণ কৰিছে: মহাৰাণীৰ তৃতীয় সন্তান প্ৰসৱৰ দিন সমাসন্ন। তাৰ আগতে মহাৰাণীয়ে দুটি সন্তান প্ৰসৱ কৰিছিল; কিন্তু সেই সন্তান দুটিক কোনোবা অজ্ঞাত ব্যক্তি বা শক্তিয়ে চুৰ কৰি নিলে। এতিয়া, এই তৃতীয় সন্তান যাতে চুৰি নহৈ ৰক্ষা পৰে, তাৰ বাবে আমাক মহাযোদ্ধাৰ সহায় লাগে।" মহাদেহীয়ে ক'লে।

"ঠিক আছে, আমাৰ মহাযোদ্ধা উভতি অহাৰ লগে লগেই মই এই সম্বাদ তেওঁক দিম—এই প্ৰতিশ্ৰুতি দিছোঁ।" সেই মহাযোদ্ধাই মহাদেহীক ক'লে।

এই প্ৰতিশ্ৰুতি লাভ কৰাৰ অন্তত

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



মহাদ্বীপৰ মহাদেহী পুনৰ সমুদ্ৰৰ ওপৰেদি খোজ দি দি গুচি গ'ল।

পাছদিনাও মহাযোদ্ধা সাগৰতীৰত ভ্ৰমি থাকোঁতে কঁটীয়া-বজৰুহেন মানুহ আঠোটা দৌৰি আহিল তালৈ। তালৈ সিহঁতে খেলি থকাৰ ভংগীৰে দৌৰাদৌৰি কৰা যেন লাগিছিল।

মহাযোদ্ধাই সিহঁতক সুধিলে, "তোমালোক কোন? ইয়াত কিহৰ বাবে আলি-চিৰা খেলৰ দৰে দৌৰি ফুৰিছা?"

"আমি দেখাই-মেলাই ভাল নহওঁ, জানো আৰু মানো। পিছে—আমাৰ প্ৰতিজনৰে গাত এটাকৈ বিশেষ গুণ আছে। আমাৰ নাম কেইটাও বিচিত্ৰ। মোৰ শিলাৰাম। মই যদি এবাৰ কেনেবাকৈ বহি দিওঁ — মোক আৰু কোনেও হাজাৰ চেষ্টাতো বহাৰপৰা থিয় কৰাব নোৱাৰিব।"

মহাযোদ্ধাই কৌতূহলত পৰি ক'লে, "বহাচোন চাওঁ — তোমাক মই থিয় কৰাব পাৰোঁনে নাই।"

শিলাৰাম বহিল। কিন্তু ইমান শক্তিশালী মহাযোদ্ধাই শিলাৰামক বহু চেষ্টা কৰিও থিয় কৰাব নোৱাৰিলে।

এনে আজৱ ঘটনাত অবাক হৈ শিলাৰামক মহাযোদ্ধাই সুধিলে, "এনেহেন ক্ষমতাসম্পন্ন আৰু কেইজন আছে?"

শিলাৰামে মহাযোদ্ধাক ক'লে:

আমাৰ এজনৰ নাম হ'ল দিব্যকৰ্ণি। তেওঁ সমুদ্ৰৰ সিপাৰত হোৱা কথা-বাৰ্তা পৰিষ্কাৰভাবে শুনিব পাৰে। তেওঁৰ স্পৰ্শকাতৰতাও সীমাহীন। আমাৰ আন এজনৰ নাম মহাজ্ঞানী। পৃথিৱীৰ ক'ত কি ঘটি আছে—তেওঁ সদা-সৰ্বক্ষণ জানিব পাৰে। আন এজনৰ নাম হ'ল লঘুহস্তী। তেওঁক আন কোনেও নেদেখাকৈ য'লৈকে মন যায় যাব পাৰে, আৰু যিকোনো বস্তু লৈ উভতি আহিব পাৰে। আমাৰ আন এজনৰ নাম হ'ল আৰোহী। তেওঁ



যিকোনো নিমজ দেৱাল নিমিষতে বগাই উঠিব পাৰে। আন এজনৰ নাম হ'ল বীলুৰাম। তেওঁ লাখ-বিলাক পৰুৱাৰ মাজতো নিৰ্দিষ্ট এটা পৰুৱাক মাৰি পেলাব পাৰে। আৰু—আমাৰ অষ্টমজনৰ নাম হ'ল দাৰুব্ৰহ্ম। তেওঁৰ হাতত মাত্ৰ লাঠি এডাল থাকিলে তেওঁ যিকোনো অসাধ্য কাম হেলাৰঙে সাধিব পাৰে।"

"বুজিলোঁ। ব.ৰু, এখন জাহাজ নিৰ্মাণ কৰাত কিমান সময়ৰ আৱশ্যক হ'ব?" মহাযোদ্ধাই সুধিলে।

লগে লগে দাৰুব্ৰহ্মই কৈ উঠিল, "তুমি ঘূৰি থিয় হওঁতে যিমান সময়ৰ আৱশ্যক হ'ব, এখন জাহাজ নিৰ্মাণ কৰাত সেইকণ সময়হে লাগিব।"

মহাযোদ্ধাই ঠাইতে এপাক মাৰিলে, দাৰুব্ৰহ্মই এডাল কাঠি সাগৰৰ পানীলৈ দলি মাৰি দিলে। আৰু লগে লগে কাঠীডাল এখন জাহাজ হৈ গ'ল।

"মই এইখন জাহাজত উঠি মহাদ্বীপলৈ যাব খুজিছোঁ। তোমালোকে যদি মোক সহায় অলপ কৰি দিয়া বৰ উপকৃত হ'ম।" মহাযোদ্ধাই কঁঠীয়াইঁতক ক'লে।

"নিশ্চয় সহায় কৰিম। পূৰ্বকালে থকা সকলো বিষয় আমাৰ জ্ঞাত।" কঁঠীয়াইঁতে মহাযোদ্ধাক ক'লে।

সেই আঠজনক লগত লৈ মহাযোদ্ধাই মহাদ্বীপলৈ বুলি জাহাজত উঠি যাত্ৰা কৰিলে। ভালেমান দিন ধৰি গৈ গৈ অৱশেষত এদিন বোৱাৰীপুৰাতে জাহাজ খনে মহাদ্বীপ পালেগৈ।

মহাদ্বীপত ভৰি দিয়েই মহাযোদ্ধা মহাদ্বীপৰ ৰজাৰ কাষ চাপিল। মহাযোদ্ধাৰ আগমত ভাল পাই মহাদ্বীপৰ ৰজাই মহাযোদ্ধাক আৰু সেই আঠজন কঁঠীয়াক যথাযোগ্য মৰ্য্যাদাৰে ক'লে, "আপোনা-লোক সময়মতেই আহিছে। মোৰ পত্নীৰ দুটি সন্তান জন্মৰ পাছমুহূৰ্ত্ততে লুপ্ত হৈ গ'ল। কেনেকৈ যে কি হ'ল—আমাৰ

বুদ্ধিৰ অগম্য। আজি পুনৰ এবাৰ মোৰ পত্নীৰ সন্তান প্ৰসৱৰ দিন আগত। কিন্তু— প্ৰসৱ হোৱাৰ লগে লগেই সেই সন্তান লুপ্ত হ'ব বুলি আশংকা কৰিছোঁ।"

"মহাৰাজ! আপুনি একেবাৰে দুশ্চিন্তিত নহ'ব। এই সন্তানটিক আজি প্ৰসৱৰ পাছত ৰক্ষা কৰাৰ দায়িত্ব মই ল'লোঁ। যদি মই ব্যৰ্থ হওঁ—মোক মৃত্যুদণ্ডেৰে দণ্ডিত কৰিব।" মহাযোদ্ধাই ক'লে।

তাৰ পাছত মহাৰাণীক এটা বেজিও সৰকিব নোৱৰা একেবাৰে নিশ্ছিদ্ৰ কক্ষলৈ লৈ যোৱা হ'ল।

কঁটীয়া মহাজ্ঞানীয়ে মহাযোদ্ধাক ক'লে, "সন্তানক ৰক্ষা কৰিব নোৱাৰিলে মৃত্যুদণ্ড দানৰ অধিকাৰ মহাদ্বীপৰ ৰজাক দিয়াটো কিন্তু যথাৰ্থ নহ'ল।"

মহাযোদ্ধাই ক'লে. "তুমি আছাই নহয়? কোনেনো আমাৰপৰা সদ্যোজাত শিশু এটক চকুত ধূলি মাৰি লৈ যাব?"

"কিনো কওঁ? কথাতে বোলে— ঘৰশত্ৰু বিভীষণ। এই শিশুচোৰ হ'ল স্বয়ং ৰজাৰ ভনীয়েৰা। আগৰ শিশু দুটিকো ৰজাৰ সেই ভনীয়েৰায়েই চুৰ কৰিলে।"

"হয়নে!" মহাযোদ্ধাই অবাক হৈ সুধিলে, "কেনেকৈনো সোমায়?"

"ৰজাৰ ভনীয়েৰাই অদৃশ্য হোৱাৰ মন্ত্ৰ শিকিছিল। সেই মন্ত্ৰৰ বলেৰে চেৰাশালিৰ ধোঁৱা ওলোৱা নলীৰ মাজেদি সোমায় আৰু ওলাই আহে। কোনেও তাইক দেখা নাপায়।" মহাজ্ঞানীয়ে ক'লে।

মহাজ্ঞানীৰ ইংগিতত সেই ধোঁৱা ওলোৱা নলীৰ ওচৰত শিলাৰাম বহিলগৈ।

মাজনিশা দিব্যকৰ্ণিয়ে মহাযোদ্ধাক ক'লে, "মহাৰাজৰ ভনীয়েৰা নিজৰ কক্ষৰ দুৱাৰ খুলি ওলাল। আগতে চুৰি কৰি নিয়া মহাৰাণীৰ শিশুসন্তান দুটিক পৰ দিবলৈ ক'লে লিগিৰীহঁতক।"

"ৰজাৰ ভনীয়েৰাৰ কক্ষটো কাঁচেৰে নিৰ্মিত। এই কক্ষৰ কাঁচ এনেকুৱা যে

ভিতৰৰপৰা বাহিৰৰ সকলো দেখা পায় ; কিন্তু—বাহিৰৰপৰা কক্ষৰ ভিতৰৰ একো দেখা পোৱা নাযায়।" দূৰদৰ্শীয়ে ক'লে।

অলপ পাছত দিব্যকৰ্ণিয়ে ফুচফুচাই ক'লে, "তাই শিলাৰামৰ চকুত বালি মাৰি চেৰাশালিৰ ভিতৰলৈ সোমাই গ'ল। সাৱধান! সাৱধান!"

অকস্মাৎ ধুমক'লা মস্ত দীঘল হাত এখনে মহাৰাণীয়ে সদ্যে প্ৰসৱ কৰা তৃতীয় সন্তানটিকো দাঙি লৈ যাব ধৰিলে। শিলাৰামে হাতখনত থাপ মাৰি ধৰিলে ; কিন্তু হাতখন ছিঙি শিলাৰামৰ হাতত বৈ যোৱা সত্বেও ৰজাৰ ভনীয়েক শিলাৰামৰ হাতৰ পৰা কেঁচুৱাটোৰে সৈতে চেং মাছ পিছলা দি পিছলি ওলাই গ'ল আৰু চেৰাশালিৰপৰা আৰ্তনাদ উঠিল, "লৈ গ'ল! লৈ গ'ল!"

তাৰ পাছত কঁটীয়াইঁতে ক'লে, "এইবাৰ মহাদ্বীপৰ ৰজাই আমাকো মাৰি পেলাব। আমি জাহাজত উঠি পলাওঁ ব'লা।"

"পলাম কিয় ?" মহাযোদ্ধাই ক'লে, "আমি ৰজাৰ ভনী ৰাক্ষসীক ধৰি তিনিওটি শিশুক উদ্ধাৰ কৰিম।"

মহাজ্ঞানী, দূৰদৰ্শী, লঘুহস্তী আদিৰ সক্ৰিয় সহযোগিতাৰে মহাযোদ্ধাই মহাদ্বীপৰ ৰজাৰ তিনিওটি শিশুপুত্ৰক ৰজাৰ ভনীয়েকৰ কবলৰপৰা উদ্ধাৰ কৰিলে। দিব্যকৰ্ণই কাঁড় এডালেৰে ৰজাৰ ৰাক্ষসী ভনীয়েকৰ চকু কণা কৰি দিলে, আৰু তাই চকুৰে নেদেখাকৈ সাগৰত পৰি মৰিল।

তাৰ পাছত — পাছদিনা ৰাতিপুৱা যেতিয়া মহাদ্বীপৰ ৰজাৰ হাতত তেওঁৰ তিনিওটি শিশুপুত্ৰক সঁপি দিয়া হ'ল, তেতিয়া ৰজা-ৰাণী আনন্দৰ আধিক্যত মূৰ্ছিত হৈ পৰিল।

পাছত—মহাদ্বীপৰ মহাৰজাই সেই মহাযোদ্ধাক আৰু তেওঁৰ লগৰীয়া কঁটীয়াইঁতকো এজাহাজ বিভিন্ন বস্তু উপহাৰ দি সসন্মানে বিদায় দিছিল।

দৰ্জি চৰাই
বাহ সাজি উলিয়াবলৈ এই চৰায়ে দুটি পাতক অতি নিপুণতাৰে যোৰা লগাব পাৰে, ঠিক যেনিবা নিপুণ দৰ্জিয়ে ৰিফু কৰাৰ দৰে। এইবাবে এই চৰাইবিলাকক দৰ্জি-চৰাই বুলি কোৱা হয়।
নিজৰা—কিমান ওখ !
১৯৩৫ চনত আৱিষ্কৃত ভেনেজুৱেলাৰ এঞ্জেল জলপ্ৰপাত পৃথিৱীৰ আটাইতকৈ ওখ জলপ্ৰপাত হিচাপে বিবেচিত। এই জলপ্ৰপাত ৩,২১২ ফুট ওখ।
ডলফিন-‘কথা’
ডল্‌ফিন মাছে মানুহতকৈ দহগুণ দ্ৰুততাৰে আৰু জোৰেৰে ‘কথা’ ক’ব পাৰে।

অতিকে' মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰবাসুৰা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক

অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্,
মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম
জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনচে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

ছাৰ্কুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনচ
চান্দমামা বিল্ডিংচ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ ছেপটেম্বাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৯ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : জীৱনৰ খটখটিত

দ্বিতীয় ফটো : কিমান যে লটিঘটি

পুৰস্কাৰ প্ৰাপক : মৰ্জিনা, তৰাজান, যোৰহাট, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

JUNIOR
QUEST
Where finding out is fun
AACHOO
In your JUNE Issue...
Toss up your own mixture!
Track down the Red Hot Ruby!
Get set for rhyme time!
Meet the muddled magician
Quiz your way thro' India!
Peep into the world of ants!
Plan an exciting puppet show!
Inside:
A stunning
wildlife poster
.. A+B-2
BUY TODAY!
Corner
Question
Special!
A Chandamama
Vijaya Combines
publication

CRUNCHY, MUNCHY SWEETS
The coconut cookie treat!
nutrine
COOKIES
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets